
# মহিলাৰ সুৰক্ষা আইন ২০০৫ আৰু মহিলাৰ অধিকাৰ



গ্ৰাম্য বিকাশ মঞ্চ
নলবাৰী ঃ অসম

# মহিলাৰ সুৰক্ষা আইন ২০05
# আৰু মহিলাৰ অধিকাৰ

(মহিলা আৰু কিশোৰী নিৰ্যাতন প্ৰতিৰোধী আন্তঃৰাষ্ট্ৰীয় অভিযান
উপলক্ষে প্ৰকাশিত হাতপুথি)

বিশেষ পৰামৰ্শদাতা

**পৃথ্বিভূষণ ডেকা**

সম্পাদনা

**প্ৰদীপ মহন্ত**


## গ্ৰাম্য বিকাশ মঞ্চ

মুখ্য কাৰ্যালয়ঃ ১ নং বৰধনৰা
ডাকঃ দক্ষিণগাঁও , নলবাৰী (অসম), পিন- ৭৮১৩৫০

**MAHILAR SURAKSHA AIN 2005 ARU MAHILAR ADHIKAR** : *A handbook on women violence & rights, edited by pradip Mahanta, Programme manager GVM and published by Development Communication Cell, Gramya Vikash Mancha, Nalbari (Assam), Pin- 781350.*

---

প্ৰকাশক ঃ

ডেভলপ্‌মেণ্ট কমিউনিকেচন চেল,
গ্ৰাম্য বিকাশ মঞ্চ।

@ প্ৰকাশক

প্ৰথম প্ৰকাশ ঃ

১০ ডিচেম্বৰ, ২০০৮ চন

বেটুপাত ঃ

প্ৰদীপ মহন্ত
অমৰ তালুকদাৰ

মুদ্ৰণ ঃ

লাইট অফচেট প্ৰেছ
হাজো পথ, নলবাৰী

*(কেৱল সীমিত ব্যক্তিগত বিতৰণৰ বাবে)*

**ACKNOWLEDGEMENT**

Actionaid International India has Supported the Programme and this Publication. We are thankful to Actionaid International India & North East Network (NEN), Guwahati.

# আগকথা

পৰম্পৰাগত সামাজিক ধাৰণাৰে যুগ যুগ ধৰি কৰি অহা মহিলাৰ প্ৰতি বৈষম্যই (যাক আমি লিঙ্গ বৈষম্য বুলি অভিহিত কৰো) যে অকল মহিলাসকলকে ক্ষতিগ্ৰস্ত কৰিছে সেয়া নহয়, বৰঞ্চ সমগ্ৰ মানৱ সমাজৰ ওপৰতে ইয়াৰ কুপ্ৰভাৱ স্পষ্টৰূপত প্ৰকট হৈ আহিছে। নিজৰ ঘৰখনৰ পৰা আৰম্ভ কৰি বহল পৰিসৰলৈ ইয়াৰ প্ৰভাৱ ভিন্নৰূপত দেখা যায়। মানৱ সমাজৰ প্ৰকৃত প্ৰগতিৰ বাবে লিঙ্গ বৈষম্য দূৰ কৰাটো প্ৰাথমিক চৰ্ত য'ত সমাজৰ সকলোৱে পৰাম্পৰাগত সামাজিক ধাৰণা ওফৰাই বাস্তৱিক পদক্ষেপ আৰু সিদ্ধান্ত ল'ব লাগিব, নিয়ম ভাঙি বিজ্ঞানসন্মত বাস্তৱক আকোৱালি ল'বলৈ সাহসী হ'ব লাগিব। 'পাৰিবাৰিক নিৰ্যাতনৰ পৰা মহিলাৰ সুৰক্ষা আইন, ২০০৫ তেনে এখন আইন যিয়ে আমাক আকৌ এবাৰ সোঁৱৰাই দিয়ে তেনে ধৰণৰ চিন্তা চৰ্চা তথা পদক্ষেপৰ প্ৰয়োজনীয়তাৰ কথা সমাজৰ পুৰুষ, মহিলা উভয়ে যাতে শান্তিপূৰ্ণ, সমৃদ্ধিশালী, সমতাপূৰ্ণ আৰু শোষণমুক্ত পৰিৱেশত সম মৰ্যদাসহ জীয়াই থাকিব পাৰে। জন্ম লগ্নৰে পৰা গ্ৰাম্য বিকাশ মঞ্চই তেনে প্ৰচেষ্টাৰে সেৱা আগবঢ়াই আছে। এক প্ৰচেষ্টাৰে অংশ হিচাবে এই পুস্তিকাখনিও প্ৰকাশ কৰা হৈছে। আমি আশাকৰো আপুনিও আমাৰ এই প্ৰচেষ্টাৰ সক্ৰিয় অংশীদাৰ হ'ব, তাৰেই কামনাৰে -

**পৃথ্বিভূষণ ডেকা**
*সভাপতি*
*গ্ৰাম্য বিকাশ মঞ্চ*

# আপোনাৰ অধিকাৰ সমূহ
# পাৰিবাৰিক নিৰ্যাতনৰ পৰা মহিলাৰ সুৰক্ষা আইন ২০০৫
# সম্পৰ্কীয় তথ্য পাতি

১। **প্ৰঃ পাৰিবাৰিক নিৰ্যাতন কিমান ব্যাপক ?**

উত্তৰ ঃ বিশ্বজোৰা বিভিন্ন পৰিসংখ্যাসমূহৰ মতে প্ৰতি তিনিগৰাকী মহিলাৰ মাজৰ এগৰাকীয়ে জীৱনৰ কোনো এটা সময়ত নিকটতম সম্পৰ্কৰ পৰা নিৰ্যাতনৰ সন্মুখীন হয়। ঔদ্যোগিকৰণকৃত আৰু উন্নয়নশীল দেশসমূহত চলোৱা বিভিন্ন জৰীপৰ ওপৰত ভিত্তি কৰি উলিওৱাই হৈছে এক গড় পৰিসংখ্যা (বিশ্ব স্বাস্থ্য সংস্থা ১৯৯৭)

২। **প্ৰঃ ভাৰতবৰ্ষত পাৰিবাৰিক নিৰ্যাতনৰ ছবিখন কেনেকুৰা ?**

উত্তৰ ঃ ভাৰতীয় মহিলাৰ ক্ষেত্ৰত নিৰ্যাতনৰ মাত্ৰা যথেষ্ট বেছি। জৰীপ চলোৱা মহিলা সকলৰ ভিতৰত ২২ শতাংশৰ পৰা ৬০ শতাংশই এনে নিৰ্যাতনৰ ভূক্তভোগী (ৰাও, ১৯৯৬ আৰু মহাজন, ১৯৯০)। নিৰ্যাতনৰ বৰ্ধিত প্ৰতিবেদনসমূহৰ পৰা প্ৰতিফলিত হোৱা তথ্য পাতিয়ে ১৯৯১ চনৰ পৰা ১৯৯৫ চনৰ ভিতৰৰ সময়ছোৱাত উৎপীড়ন আৰু যৌতুকজনিত মৃত্যুৰ ঘটনাবোৰৰ হাৰ ৭১.৫ শতাংশ বৃদ্ধি পোৱাৰ ভয়াবহ ছবি এখন উদঙাই দিয়ে। দিল্লীৰ চি এছ আৰে কৰা এক অধ্যয়নত (১৯৮৯) এই কথা ওলাই পৰে যে প্ৰতি চাৰিগৰাকী যৌতুকৰ বলি হোৱা মহিলাৰ মাজৰ এগৰাকীক আত্মহত্যা কৰিবলৈ বাধ্য কৰোৱা হয়। সেয়েহে এই বিষয়ত আইন প্ৰণয়ণৰ

প্ৰয়োজন।

৩। **প্ৰঃ পাৰিবাৰিক নিৰ্যাতনৰ অৰ্থনীতি আৰু উন্নয়নৰ দিশসমূহৰ সৈতে কিবা যোগসূত্ৰ আছে নেকি ?**

উত্তৰ ঃ হয় আছে। বিশ্ব বেংকৰ এক অধ্যয়নে (১৯৯৩) স্বাস্থ্যৰ ওপৰত পৰা হেচাৰ ৰূপত হোৱা নিৰ্যাতনৰ ব্যয়ৰ কথা পোহৰলৈ আনে। হিচাপ অনুসৰি জনসংখ্যাৰ ফালৰ পৰা উন্নয়নশীল ৰাষ্ট্ৰসমূহত ধৰ্ষন আৰু পাৰিবাৰিক নিৰ্যাতনৰ কাৰণে প্ৰজননক্ষম বয়সৰ মহিলাসকলৰ জীৱনৰ সুস্থ বছৰসমূহৰ পাঁচ শতাংশই হানি হয়। ইন্টাৰ আমেৰিকান ডেভেলপমেণ্ট বেংকৰ এক অধ্যয়ন (১৯৯৭) অনুসৰি চিলিত পাৰিবাৰিক নিৰ্যাতনৰ ফলত ১.৫৬ লক্ষ্য কোটি আমেৰিকান ডলাৰৰ (১৯৯৬ চনৰ চিলিৰ মুঠ ঘৰুৱা আয়ৰ দুই শতাংশতকৈ অধিক) ক্ষতি হৈছিল। অষ্ট্ৰেলিয়াৰ নিউ ৱেলছৰ এক অধ্যয়ন মতে এই ক্ষেত্ৰত এবছৰৰ ব্যয় আছিল ১.৫ লক্ষ্য কোটি অষ্ট্ৰেলিয়ান ডলাৰ (এন. চি. ভি. এ ডব্লিউ. ১৯৯৩)। এই সীমিত সংখ্যক প্ৰমাণে দিয়া আভাস মতে উন্নয়নৰ এক অগ্ৰাধিকাৰ হিচাপে নিৰ্যাতনৰ ওপৰত বিশেষ মনযোগ দিয়াৰ ঔচিত্য প্ৰতিপন্ন কৰাৰ ক্ষেত্ৰত অৰ্থনৈতিক প্ৰয়োগসমূহ অকলেই যথেষ্ট গুৰুত্বপূৰ্ণ।

৪। **প্ৰঃ সমস্যাটোৰ সৈতে মোকাবিলা কৰিবলৈ প্ৰচলিত উপায় তথা প্ৰতিবিধানসমূহ যথেষ্ট নহয় নেকি ? নতুন আইনসমূহ কিহৰ বাবে ?**

উত্তৰ ঃ ২০০৫ চনৰ আগলৈকে ভাৰতবৰ্ষত পাৰিবাৰিক নিৰ্যাতন ৰোধ কৰাৰ ক্ষেত্ৰত কোনো ফলপ্ৰসু আইন নাছিল। সেয়েহে এনেধৰণৰ ঘটনাসমূহ দ্ৰুত হাৰত বাঢ়ি গৈছিল। ভাৰতীয় দণ্ডবিধিৰ ৪৯৮ ক ফৌজদাৰী আইন আৰু প্ৰচলিত অন্যান্য আইনসমূহ আৰু পাৰিবাৰিক নিৰ্যাতনৰ সন্মুখীন মহিলাসকলৰ প্ৰয়োজনৰ মাজতআছিল এক বৃহৎ ব্যৱধান। এনে প্ৰয়োজনৰ বাবেই এই নতুন আইনখন।

৫। **প্ৰঃ এই নতুন আইনখনে বিবাহ বিচ্ছেদৰ ঘটনা বৃদ্ধি কৰিব নেকি, মানে পৰিয়ালত ভাঙোন আনিব নেকি ?**

উত্তৰ ঃ নতুন আইনখনৰ বিবাহ বিচ্ছেদৰ লগত কোনো সম্পৰ্ক নাই। নতুন আইনখনে তাৎক্ষণিকভাৱে নিৰ্যাতন বন্ধ হোৱাটো সুনিশ্চিত কৰে। নিজৰ মাজৰ সম্পৰ্কৰ বিষয়ে ভাবিবলৈ আৰু একেলগে থাকিবনে নাথাকে সেই বিষয়ে সিদ্ধান্ত লোৱাৰ ক্ষেত্ৰত আইনখন হৈছে এক অৱকাশ। যদিহে তেওঁলোকে বেলেগ হোৱাৰ পথ বিচাৰে তেন্তে আগৰে পৰা প্ৰচলিত হৈ থকা বিবাহ বিচ্ছেদৰ আইনসমূহৰ অধীনত ইয়াৰ উপায় আছে। প্ৰকৃততে হিংসাপূৰ্ণ পৰিস্থিতি এটাৰ পৰা ওলাই আহে সাময়িকভাৱে পৃথকে থকা কথাটোৱে দুয়োজন সংগীকে নিজৰ জীৱনত হিংসা তথা নিৰ্যাতনৰ অৱসান ঘটাই নিৰ্যাতন মুক্ত ঘৰ এখন গঢ়ি তোলাৰ ক্ষেত্ৰত তুলনামূলকভাৱে যথেষ্ট ভাল সিদ্ধান্ত লোৱাত সহায় কৰিব পাৰে।

৬। **প্ৰঃ পাৰিবাৰিক নিৰ্যাতন আইন অনুসৰি পাৰিবাৰিক নিৰ্যাতন মানে কি ?**

উত্তৰ ঃ পাৰিবাৰিক নিৰ্যাতন হৈছে যিকোনো ধৰণৰ অৱজ্ঞাসূচক অপৰাধমূলক কাৰ্য্য বা আচৰণ বা যি শাৰিৰীক, মৌখিক, মানসিক, আৱেগিক, যৌন আৰু আৰ্থিক নিৰ্যাতনৰ পথ প্ৰশস্ত কৰে। মহিলাগৰাকীক আঘাত দিয়া বা দুখ দিয়া বা অন্য ব্যক্তি বিশেষৰ লগত যোগাযোগ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত তেওঁৰ সামৰ্থতাক বাধা দিয়া যিকোনো কাৰ্য্য বা অৱহেলাই হৈছে পাৰিবাৰিক নিৰ্যাতন। ইয়াৰ ভিতৰত প্ৰকৃত নিৰ্যাতন আৰু নিৰ্যাতনৰ ভীতি প্ৰদৰ্শন দুয়োটাই পৰে। মহিলাগৰাকী বা তেওঁৰ আত্মীয়ৰ ওচৰত অবৈধভাৱে যৌতুকৰ দাবী তোলাটোকো ই সামৰে। আদালতে সামগ্ৰীক ঘটনা আৰু পৰিস্থিতি সমূহ বিবেচনা কৰিব লাগিব।

৭। **প্ৰঃ মহিলাগৰাকীয়ে দণ্ডাধীশৰ আগত কিদৰে পাৰিবাৰিক নিৰ্যাতনৰ প্ৰমাণ দিয়ে।**

উত্তৰ : পাৰিবাৰিক নিৰ্যাতনৰ এই দেৱানী আইনৰ অধীনত কোনোধৰণৰ প্ৰমাণ দিয়াৰ প্ৰয়োজন নাই। নিৰ্যাতনকাৰীজনে তেওঁক আঘাত দিছে বুলি মহিলাগৰাকীয়ে প্ৰকাশ কৰা কেৱল এটা মন্তব্যই যথেষ্ট। যাৰ ওপৰত ভিত্তি কৰি দণ্ডাধীশগৰাকীয়ে আদেশ জাৰি কৰিব পাৰে। মহিলাগৰাকীক সুৰক্ষা কৰিবলৈ, হিংসা ৰোধ কৰিবলৈ। সুৰক্ষা বিষয়াগৰাকীৰ দায়িত্ব হৈছে মহিলাগৰাকী আৰু দণ্ডাধীশ গৰাকীৰ মাজত যোগসূত্ৰ হিচাপে কাম কৰা। দণ্ডাধীশগৰাকীয়ে বিচাৰিলে উক্ত পাৰিবাৰিক নিৰ্যাতনৰ বিষয়ে সবিশেষ তথ্য সহ এক প্ৰতিবেদন সুৰক্ষা বিষয়া গৰাকীয়ে দাখিল কৰিব পাৰে।

৮। **প্ৰঃ পাৰিবাৰিক নিৰ্যাতন আইন ২০০৫ ৰ কাম কি?**

উত্তৰ : ২০০৫ চনৰ পাৰিবাৰিক নিৰ্যাতন আইনৰ প্ৰধান কাম হৈছে নিকটতম সম্পৰ্কসমূহৰ মাজত হোৱা পাৰিবাৰিক নিৰ্যাতন তাৎক্ষণিকভাৱে বন্ধ কৰা। এই আইনৰ লক্ষ্য হৈছে সুৰক্ষা প্ৰদান আৰু পাৰিবাৰিক নিৰ্যাতন প্ৰতিৰোধ কৰা। নিৰ্যাতনৰ সন্মুখীন হোৱা মহিলা গৰাকীৰ বাবে কিছু অৱকাশ আৰু সময়ৰ একান্ত প্ৰয়োজন যাতে তেওঁ নিৰ্যাতনৰ ভয়ৰ পৰা মুক্ত হৈ নিৰ্ভয়ে জীৱন যাপন কৰা আৰু আইনখনৰ অধীনৰ অন্যান্য সুবিধাসমূহ লাভ কৰিব পাৰে আৰু মূল অধিকাৰ সমূহৰ ক্ষেত্ৰত কোনো আপোচ নকৰাকৈ সিদ্ধান্ত লব পাৰে। (যেনে - ল'ৰা-ছোৱালীৰ তত্বাৱধানৰ অধিকাৰ, ক্ষতিপূৰণ)

৯। **প্ৰঃ আইনৰ বিধিপ্ৰদত্ত কৰ্তৃত্ব কি?**

উত্তৰ : এইখন এখন কেন্দ্ৰীয় আইন আৰু জম্মু কাশ্মীৰৰ বাহিৰে সমগ্ৰ ভাৰতত আইনখন প্ৰযোজ্য।

১০। **প্ৰঃ এই নতুন আইনখনে কাক কাক সামৰে?**

উত্তৰ : এই আইনখন একেলগে একেখন ঠাইতে বসবাস কৰা বা গৃহস্থী কৰাৰ ওপৰত ভিত্তি কৰি সকলোৰে ক্ষেত্ৰতে প্ৰযোজ্য। বিবাহিত মহিলাৰ বাদেও এইখন আইনে জীয়ৰী, বিধৱা, ওঠৰ বছৰৰ তলৰ লৰা ছোৱালী,

মাতৃসকল আৰু অন্যান্য সম্পৰ্কসমূহক সামৰে। আইনখন বিবাহিত হওঁক বা অবিবাহিতই হওক সকলো বয়সৰ মহিলাৰ বাবেই। সহবাস কৰা আৰু একেলগে জীৱন যাপন কৰা সংগীসকলেও এই আইনৰ অধীনত প্ৰতিবিধানসমূহ লাভ কৰিব পাৰে।

১১। **প্ৰঃ এই আইনৰ অধীনত কোনে অভিযোগ দাখিল কৰিব পাৰে?**

উত্তৰ ঃ পাৰিবাৰিক নিৰ্যাতন হোৱা বুলি বা হবলৈ উপক্ৰম কৰা বুলি শুদ্ধভাৱে বিশ্বাস কৰা যিকোনো ব্যক্তিয়ে সুৰক্ষা বিষয়াক (PO) খবৰ দিব পাৰে। ওঠৰ বছৰৰ বয়সৰ তলৰ যিকোনো ছোৱালীকে শিশু বুলি গণ্য কৰা হয় বাবে এনে ছোৱালীৰ হৈ যিকোনো সহানুভূতিশীল ব্যক্তিয়েই সুৰক্ষা বিষয়াক খবৰ দিব পাৰে।

১২। **প্ৰঃ পাৰিবাৰিক নিৰ্যাতনৰ অভিযোগ পোৱাৰ পিছত অভিযোগ গ্ৰহণকাৰীৰ কৰ্তব্য কি?**

উত্তৰ ঃ অভিযোগ পোৱাৰ পিছত আৰক্ষী, সুৰক্ষা বিষয়া, সেৱা যোগান ধৰোতা বা দণ্ডাধীশে আইন অনুসৰি তলত উল্লেখ কৰা কামসমূহ কৰিব লাগিবঃ

* পাৰিবাৰিক নিৰ্যাতন আইনৰ অধীনত সাহাৰ্য্য বিচাৰি দণ্ডাধীশৰ ওচৰত এক আবেদন কৰিব পৰাৰ অধিকাৰৰ বিষয়ে তেওঁক অৱগত কৰোৱা।
* তেওঁ কিদৰে সেৱা আগবঢ়াওঁতা আৰু সুৰক্ষা বিষয়া সকলৰ লগত যোগাযোগ কৰিব পাৰে সেই বিষয়ে জনোৱা।
* যদিহে প্ৰয়োজন হয় তেওঁক বিনামূলীয়াকৈ আইন সেৱা আৰু পৰামৰ্শ লাভ কৰাৰ অধিকাৰ দিয়া।
* ফৌজদাৰী অভিযোগ অধিকাৰ দাখিলৰ অধিকাৰ বা প্ৰচলিত আইন সমূহৰ অধীনত লাভ কৰিব পৰা যিকোনো প্ৰতিবিধান লাভৰ অধিকাৰ দিয়া।

১৩। **প্ৰঃ আপুনি কিদৰে সহায় পাব পাৰে?**

উত্তৰ : মহিলাগৰাকীয়ে বন্ধু বান্ধৱী, আত্মীয় স্বজন, সুৰক্ষা বিষয়া, স্থানীয় অনাচৰকাৰী স্বেচ্ছাসেৱী সংস্থাসমূহ, সংঘৰ সদস্য সদস্যাসকল, আত্মসহায়ক গোটসমূহ, সমূহীয়া স্বাস্থ্য কৰ্মীসকল বা অন্য যিকোনো ব্যক্তিৰ পৰা সহায় বিচাৰিব পাৰে। এই আইনে পাৰিবাৰিক নিৰ্যাতনৰ বিষয়ে সুৰক্ষা বিষয়াক খবৰ দিবলৈ 'যিকোনো ব্যক্তিকে' নিৰ্দেশ দিছে, যাতে বিষয়াগৰাকীয়ে ইয়াৰ পিছত মহিলাগৰাকীক প্ৰয়োজনীয় সেৱা আৰু সহায় আগবঢ়োৱাৰ দায়িত্ব ল'ব পাৰে। সুৰক্ষা বিষয়া গৰাকীয়ে মহিলাগৰাকীলৈ সহায় তথ্য পাতিআৰু পৰামৰ্শ আগবঢ়োৱা উচিত আৰু দণ্ডাধীশৰ পৰা সুৰক্ষাৰ আদেশ লাভ কৰাৰ ক্ষেত্ৰত আবেদনৰ প্ৰ-পত্ৰ পূৰণত তেওঁক কিদৰে সহায় কৰি দিব পাৰে।

১৪। **প্ৰঃ নিৰ্যাতনৰ বলি হোৱা মহিলাগৰাকীয়ে অযথা দৌৰাদৌৰি কৰি ফুৰিব লাগে নেকি? বা আইনখনে এবাৰতে কাম সম্পন্ন হোৱা ব্যৱস্থা এটাৰ দিহা কৰিছে নেকি?**

উত্তৰ : আমাৰ প্ৰয়াস হৈছে এবাৰতে সফলভাৱে কাম সম্পন্ন হোৱা ব্যৱস্থা এটা সুনিশ্চিত কৰা। যি নহওক আমি সকলোৱে জানো যে, সুদীৰ্ঘ পৰীক্ষা নিৰীক্ষাৰ অন্ততহে সুচল ব্যৱস্থা এটা প্ৰতিষ্ঠিত হ'ব পাৰে। সেয়ে বিশেষভাৱে জৰুৰী কথাটো হৈছে মহিলা আন্দোলনে ৰাজ্যিক পৰ্যায়ত বলবৎকৰণ তথা প্ৰৱৰ্তনৰ আন্তঃ গাঁথনি আৰু ব্যৱস্থাসমূহ প্ৰতিষ্ঠা কৰিবলৈ প্ৰচেষ্টা অব্যাহত ৰখা।

১৫। **প্ৰঃ পাৰিবাৰিক নিৰ্যাতন আইন, ২০০৫ ৰ অধীনত থকা প্ৰতিবিধান সমূহ কি কি?**

**উত্তৰ : আইনখনে জৰুৰীভাৱে সাহাৰ্য আগবঢ়ায়। প্ৰতিবিধান সমূহৰ ভিতৰত আছে- দণ্ডাধীশে তলত উল্লেখিত আদেশসমূহ জাৰি কৰিব পাৰে—**

**১। সুৰক্ষাৰ আদেশ - তাৎক্ষণিকভাৱে নিৰ্যাতন বন্ধ কৰিবলৈ।**

**২। বাসস্থানৰ আদেশ - মহিলাগৰাকীক ঘৰৰ পৰা বাহিৰ কৰি নিদিবলৈ,**

থাকিবৰ বাবে বিকল্প স্থানৰ ব্যৱস্থা কৰিবলৈ, প্ৰয়োজন সাপেক্ষে নিৰ্যাতন কাৰীক মহিলাগৰাকীৰ ঘৰত প্ৰৱেশ কৰাৰ ক্ষেত্ৰত বাধা দিয়াৰ আদেশ।

৩। আৰ্থিক সাহাৰ্য - এক পক্ষীয় আৰু তৎকালীনভাৱে অৰ্থ পৰিশোধ কৰাৰ আদেশ।

৪। তত্বাৱধানৰ আদেশ আৰু মহিলাগৰাকীয়ে যাতে নিৰাপদে নিজৰ সন্তানক লগ কৰিব পাৰে তাৰ আদেশ।

৫। চিকিৎসা আৰু অন্যান্য প্ৰয়োজনীয় সেৱাসমূহৰ ক্ষতিপুৰণৰ আদেশ।

৬। ঘৰ আৰু কৰ্মক্ষেত্ৰত নিৰ্যাতন প্ৰতিৰোধ কৰিবলৈ আদালতৰ নিষেধাজ্ঞা আৰু স্থগিতাদেশ।

১৬। **প্ৰঃ সেৱা যোগাওঁতাসকল কোন ?**

উত্তৰ ঃ পাৰিবাৰিক নিৰ্যাতনৰ বলি হোৱা এগৰাকী ব্যক্তিৰ ক্ষেত্ৰত বিভিন্ন ধৰণৰ সেৱাৰ প্ৰয়োজন হয় যেনে - গৃহ আৰু নিৰাপদ আস্থান, ল'ৰা ছোৱালীৰ দায়িত্ব তথা যতন, চিকিৎসা সাহাৰ্য আৰু আৰক্ষী, আইন সাহাৰ্য বা অধিবক্তাৰ ওচৰ চপাৰ উপৰিও অন্যান্য সমূহীয়া সেৱাসমূহ। মহিলা সকললৈ বিভিন্ন সেৱা আগবঢ়াবলৈ আইন খনে সুৰক্ষা বিষয়া, সেৱা আগবঢ়াওঁতা, নিৰাপদ আশ্ৰয়গৃহ, আইন সাহাৰ্য, চিকিৎসাৰ সা-সুবিধা সমূহৰ দৰে বিভিন্ন অভিকৰণৰ এক নেটৱৰ্কৰ ব্যৱস্থা কৰিছে।

১৭। **প্ৰঃ আইন খনৰ অধীনত অনাচৰকাৰী স্বেচ্ছাসেৱী সংস্থাসমূহৰ ভূমিকা কি ?**

উত্তৰ ঃ মহিলাসকলৰ অধিকাৰৰ সুৰক্ষাৰ হকে কাম কৰি থকা অনা চৰকাৰী স্বেচ্ছাসেৱী সংস্থা সেৱা যোগান ধৰোতা হিচাবে পঞ্জীয়নভূক্ত হ'ব পাৰে।

১৮। **প্ৰঃ এই আইনৰ ক্ষেত্ৰত আৰক্ষীৰ ভূমিকা কি ?**

উত্তৰ ঃ এগৰাকী মহিলা নিজে থানালৈ যাব নালাগে। আৰক্ষী তেতিয়াহে

আছে যেতিয়া দণ্ডাধীশে জাৰি কৰা আদেশ মানি চলা নহয়। এইখন এখন দেৱানী আইন আৰু মহিলা গৰাকীয়ে এই আইনৰ অধীনত সুৰক্ষা বিষয়া, বন্ধু বান্ধৱী বা অনা চৰকাৰী সংস্থাৰ সক্ৰিয় সহায় সহযোগত জাৰি কৰা আদেশ সমূহৰ কাৰ্য্যকৰীকৰণৰ ক্ষেত্ৰত আৰক্ষীৰ সহায় বিচাৰিব পাৰে। এই আইনে স্পষ্ট ভাৱে উল্লেখ কৰিছে যে, আৰক্ষী বিষয়াগৰাকী আগবাঢ়ি যাব লাগিব আৰু ফৌজদাৰী আইনৰ অধীনত আইনখনৰ অধীনত যথোপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিব। ধাৰাবাহিক নিৰ্যাতনৰ ক্ষেত্ৰত আৰক্ষীয়ে ভাৰতীয় দণ্ডবিধিৰ ৪৯৮ (ক) ধাৰাৰ অধীনত অভিযুক্ত ব্যক্তিসকলক গ্ৰেপ্তাৰ কৰিব পৰাকৈ এটা গোচৰ পঞ্জীয়ন কৰিব পাৰে।

১৯। **প্ৰঃ সুৰক্ষাৰ আদেশসমূহ বলবৎ কৰিবলৈ আৰক্ষীক কি কি ক্ষমতা দিয়া হৈছে?**

উত্তৰ ঃ দণ্ডাধীশে জাৰি কৰা আদেশ উলংঘা কৰা হৈছে বুলি মহিলাগৰাকীয়ে জনালে সুৰক্ষা বিষয়া গৰাকী যে স্থানীয় আৰক্ষী থানাৰ লগত যোগাযোগ কৰা উচিত। আৰক্ষীয়ে আদেশ অমান্য কৰাৰ অপৰাধত নিৰ্যাতনকাৰীজনক গ্ৰেপ্তাৰ কৰিব পাৰে। তেনে ক্ষেত্ৰত নিৰ্যাতন কাৰী জনৰ এবছৰ কৰাদণ্ড বা বিশ হাজাৰ টকালৈ জৰিমনা হব পাৰে।

২০। **প্ৰঃ সুৰক্ষা বিষয়াসকল কোন?**

উত্তৰ ঃ আইনখনৰ মতে তলত উল্লেখিত যিকোনো এগৰাকী লোকে সুৰক্ষা বিষয়া হব পাৰে।

১। ৰাজ্য চৰকাৰৰ বিষয়া, যিগৰাকীৰ স্থান উপ টহচিলদাৰ বা খণ্ড উন্নয়ন বিষয়াতকৈ তলত হব নোৱাৰিব।

২। অনাচৰকাৰী স্বেচ্ছাসেৱী সংস্থাৰ প্ৰতিনিধি।

৩। যিকোনো পঞ্জীয়নভূক্ত সেৱা যোগান কাৰীৰ প্ৰতিনিধি।

আমাৰ মতে কোনো পৰিস্থিতিতে চৰকাৰে আগৰে পৰা বিভিন্ন দায়িত্ব আৰু ভুমিকাৰ বোজা বহন কৰি থকা চৰকাৰী সাধাৰণ

বিষয়াসকলৰ ওপৰত সুৰক্ষা বিষয়াৰ দায়িত্ব জাপি দিয়া উচিত নহয়। ই ইয়াকো অৰ্থ কৰে যে যদিহে চৰকাৰে পাৰিবাৰিক নিৰ্যাতন আইনৰ যোগেদি অকৃত্ৰিমভাৱে বলি হোৱা সকলৰ প্ৰতি সহায়ৰ হাত আগবঢ়াব খোজে তেন্তে আইনখনৰ বিভিন্ন ব্যৱস্থাসমূহ ৰূপায়নৰ বাবে পৰ্যাপ্ত বাজেট আবণ্টন আৰু প্ৰয়োজনীয় আন্তঃ গাথনিৰ ব্যৱস্থা কৰা দৰকাৰ।

২১। **প্ৰঃ সুৰক্ষা বিষয়াসকলক কোনে নিযুক্তি দিব?**

উত্তৰ ঃ **আইনখনৰ অধীনত ৰাজ্য চৰকাৰে প্ৰতিখন জিলাতে উপযুক্ত অৰ্হতা সম্পন্ন ব্যক্তিক জিলাখনৰ সামাজিক, সাংস্কৃতিক পটভূমি অনুসৰি নিযুক্তি দিব।**

২২। **প্ৰঃ সুৰক্ষা বিষয়াসকলৰ ভূমিকা সমূহ কি কি ?**

উত্তৰ ঃ সুৰক্ষা বিষয়াসকল তলত উল্লেখিত কৰ্তব্যসমূহ পালন কৰিবলৈ আইনগত ভাৱে দায়বদ্ধ ঃ

১। আদেশসমূহ জাৰি কৰাৰ বাবে আবেদন কৰা আৰু ভূক্তভোগীক উপযুক্ত সাহাৰ্য প্ৰদানৰ ক্ষেত্ৰত দণ্ডাধীশক সহায় কৰা।

২। দণ্ডাধীশক দিবলৈ পাৰিবাৰিক নিৰ্যাতনৰ প্ৰতিবেদন প্ৰস্তুত কৰা - স্থানীয় আৰক্ষীলৈ ইয়াৰ প্ৰতিলিপি প্ৰেৰণ কৰা।

৩। মহিলাগৰাকীয়ে আশ্ৰয়, গৃহ, চিকিৎসা, আইন সাহাৰ্য, পৰামৰ্শৰ দৰে পাবলগীয়া অন্যান্য সেৱা সমূহ দণ্ডাধীশৰ কৰ্তৃত্বধীন স্থানীয় এলেকা এটাৰ ভিতৰত লাভ কৰিছেনে তাক সুনিশ্চিত কৰা।

৪। পৰিশোধ, সুৰক্ষাৰ ক্ষেত্ৰত জাৰি কৰা দণ্ডাধীশৰ আদেশ কাৰ্য্যকৰী হোৱাটো নিশ্চিত কৰা।

২৩। **প্ৰঃ আদৰ্শ সুৰক্ষা বিষয়া এগৰাকীৰ গুনসমূহ কি হোৱা উচিত?**

উত্তৰ ঃ সুৰক্ষা বিষয়াগৰাকীয়ে নিৰ্যাতনৰ বলি হোৱা সকলৰ ক্ষেত্ৰত সহমৰ্মিতাৰে ভূমিকা পালন কৰিব লাগে। পুৰুষ প্ৰধান সমাজ এখনত য'ত সামাজিক লিংগ ভিত্তিক নিৰ্যাতন অতি ব্যাপক আৰু জ্ঞাতসাৰেই

হওঁক বা অজ্ঞাতসাৰেই হওঁক ইয়াক স্বাভাৱিক বুলি গ্ৰহণ কৰা হয়, তেনে ক্ষেত্ৰত নিৰ্যাতনৰ বলি হোৱা সকলৰ ভালৰ বাবে যথেষ্ট সচেতনতাৰ প্ৰয়োজন।

সুৰক্ষা বিষয়াগৰাকীৰ সকলো হ্ৰস্বম্যাদী আৰু দীৰ্ঘম্যাদী সাহাৰ্য সেৱাৰ লগতে যোগসূত্ৰ থাকিব লাগিব আৰু সমন্বয়ৰ মাজেৰে প্ৰতিৰোধৰ কৌশল অৱলম্বন কৰিব লাগিব। মহিলা এগৰাকীয়ে যিকোনো এক সহায় বিচাৰিলে তেওক লাভ কৰিব পৰা কাৰ্য্যসূচী সম্পূৰ্ণ, হস্তক্ষেপ আৰু কৌশলসমূহৰ সম্পূৰ্ণ ৰূপ এটাৰ বিষয়ে অৱগত কৰিব লাগিব। উদাহৰণ স্বৰূপে স্বাস্থ্য সেৱা যোগান কাৰী, পৰিয়াল পৰামৰ্শদান কোষ বা কোনো আৰক্ষী থানাৰ পৰা সহায় বিচৰা মহিলা এগৰাকীক অন্যান্য সকলো প্ৰকাৰৰ উপায় তথা প্ৰতিবিধানৰ সুযোগ সুবিধাসমূহ অৱগত কৰাব লাগে।

সুৰক্ষা বিষয়াসকলে জনা উচিত যে যিহেতু সহায়ৰ ব্যৱস্থা আছে, গতিকে সকলো মহিলাৰে নিৰ্ভয়ে আৰু নিৰ্যাতনমুক্ত হৈ জীয়াই থকাৰ অধিকাৰ আছে। সুৰক্ষা বিষয়াগৰাকীয়ে এই কথা উপলব্ধি কৰা উচিত যে সহায় কৰাটো আৰু নিৰ্যাতন যাতে অব্যাহত নাথাকে সেই কথা নিশ্চিত কৰাটো তেওঁলোকৰ কৰ্তব্য আৰু নিজৰ দায়িত্বত অভিযোগকাৰীক গুৰুতৰ ক্ষতিৰ পৰা আঁতৰাই ৰখাটো তেওঁৰ কৰ্তব্য। যেতিয়া সহায় বিচাৰি এগৰাকী মহিলা সুৰক্ষা বিষয়া ওচৰলৈ আহে তেতিয়া এক স্থগিতাদেশ বিচাৰিবলৈ মহিলাগৰাকীক কোৱাটো সুৰক্ষা বিষয়া গৰাকীৰ প্ৰথম কৰ্তব্য হোৱাটো উচিত নহয়। সুৰক্ষা বিষয়া গৰাকীয়ে মহিলাগৰাকীৰ বাবে থকা সকলো বিকল্প ব্যৱস্থা তথা সুযোগ তেওঁৰ আগত দাঙি ধৰিব লাগে আৰু তাৰ পিছত মহিলা গৰাকীক পথ প্ৰদৰ্শন কৰিব লাগে। কিন্তু চূড়ান্ত সিদ্ধান্ত লোৱাৰ কাম মহিলা গৰাকীৰ ওপৰত এৰি দিব লাগে। নিৰ্যাতনৰ ভূক্তভোগী ব্যক্তি গৰাকীৰ স্বতন্ত্ৰতা আৰু ব্যক্তিগত জীৱনৰ প্ৰতি সন্মান জনাবলৈ সুৰক্ষা বিষয়া

গৰাকীয়ে শিকা উচিত। তেওঁলোকেই হৈছে সেইসকল লোক যিসকলে তেওঁলোকৰ ওপৰত নিৰ্যাতন চলোৱাজনক জানে, নিৰ্যাতন কাৰীৰ পূৰ্বৰ হিংস্ৰ ইতিহাসৰ বিষয়ে জানে আৰু নিৰ্যাতনকাৰীজনে কি কৰিব পাৰে সেই বিষয়েও জানে। সেয়ে তেওলোকেই আটাইতকৈ ভাল সিদ্ধান্ত গ্ৰহণকাৰীও। সুৰক্ষা বিষয়াকলে এইটোও বুজি পোৱা উচিত যে স্থগিতাদেশ আৰু সুৰক্ষাৰ আদেশ সমূহৰ অভিপ্ৰায় সুৰক্ষা প্ৰদান যদিও আদালতৰ নথি পত্ৰ সমূহে সুৰক্ষাৰ কোনো নিশ্চয়তা দিব নোৱাৰে। সেয়েহে সুৰক্ষা বিষয়া গৰাকীয়ে মহিলা গৰাকীৰ সতে যোগাযোগ অব্যহত ৰখাটো অতি গুৰুত্বপূৰ্ণ আৰু মহিলা গৰাকীৰ পৰিস্থিতি আৰু আৱশ্যকতা সমূহ সুক্ষ্মভাৱে অনুধাৱন কৰা উচিত। সুৰক্ষা বিষয়াগৰাকীয়ে উপলব্ধি কৰা উচিত যে যদিও এক স্থগিতাদেশ আৰু সুৰক্ষাৰ আদেশ আঘাত হানোতাজনৰ বিৰুদ্ধে ব্যৱহাৰ কৰা আইনগত আহিলা সমূহৰ অন্যতম আৰু বহুক্ষেত্ৰতে ইয়াৰ দ্বাৰা নিৰ্যাতনক নিৰুৎসাহিত কৰিব পাৰি, তথাপি ই নিৰ্যাতনৰ বলি হোৱা ব্যক্তিগৰাকীক শাৰিৰীকভাৱে সুৰক্ষা পৰিদান কৰিব নোৱাৰে।

সুৰক্ষা বিষয়া গৰাকীয়ে সুনিশ্চিত কৰিব লাগিব যে আদালতৰ কক্ষ এনে এখন ঠাই য'ত মহিলা গৰাকীয়ে নিজকে আৰু নিজৰ সন্তানক সুৰক্ষিত আৰু পুনৰ সংস্থাপিত কৰিবলৈ বিচৰা সহায় লাভ কৰিব পাৰে। ই আন এক হতাশ জনক, নিস্ফল কচৰৎ হব নালাগিব। য'ৰ পৰা কোনো ন্যায় প্ৰাপ্তি নহয় আৰু নিৰ্যাতনকাৰীজনে মহিলাগৰাকীক নিৰ্যাতনৰ বলি কৰিবলৈ আন এক সুযোগ লাভ কৰে।

২৪। **প্ৰঃ আপুনি কিদৰে স্থানীয় সুৰক্ষা বিষয়াৰ কাষ চাপিব ?**

উত্তৰ ঃ মহিলাগৰাকীয়ে এই কথা জনা উচিত যে তেওঁ স্থানীয় সুৰক্ষা বিষয়াৰ লগত বা পঞ্জীয়নভূক্ত সেৱা যোগানকাৰীৰ লগত যোগাযোগ কৰিব লাগিব। তেওঁলোকে আপোনাক সহায় তথ্য আৰু পৰামৰ্শ আগবঢ়াব।

২৫। **প্ৰঃ সুৰক্ষা বিষয়াই আপোনাক সহায় কৰিবলৈ অস্বীকাৰ কৰিলে**

আপুনি কি কৰিব পাৰে?

উত্তৰ : আপুনি দণ্ডাধীশৰ ওচৰত এক অভিযোগ দাখিল কৰিব পাৰে। সুৰক্ষা বিষয়াগৰাকীক এবছৰ কাৰাদণ্ড বা ২০,০০০ (বিশ হাজাৰ) টকালৈকে জৰিমণা বিহিব পাৰে। আমি বিশ্বাস কৰো যে অনাচৰকাৰী স্বেচ্ছাসেৱী সংস্থা সমূহ আৰু সেৱা যোগানকাৰী সংস্থা সমূহে সুৰক্ষা বিষয়া সকলে আইনে বান্ধি দিয়া মতে নিজৰ দায়িত্ব পালন কৰিছেনে নাই তাক নিশ্চিত কৰাত মুখ্য ভূমিকা গ্ৰহণ কৰা উচিত।

২৬। **প্ৰঃ আইনখনৰ অধীনত বহুল প্ৰচাৰ আৰু প্ৰশিক্ষণ প্ৰদানৰ বাবে কোন দায়বদ্ধ?**

উত্তৰ : কেন্দ্ৰীয় চৰকাৰ আইনখনৰ বিভিন্ন উপবন্ধসমূহৰ বহুল প্ৰচাৰ আৰু আইনখনে সম্বোধন কৰা বিষয়া সমূহৰ ক্ষেত্ৰত আৰক্ষী আৰু ন্যায়িক সেৱা সমূহৰ সদস্যসকলৰ কাৰণে সচেতনতা আৰু সজাগতাৰ প্ৰশিক্ষণ আয়োজন কৰাৰ বাবে দায়বদ্ধ।

২৭। **প্ৰঃ এই আইনৰ সফলতাৰ বাবে মূল প্ৰয়োজন সমূহ কি কি?**

উত্তৰ : তলত উল্লেখিত প্ৰয়োজনসমূহ অত্যাবশ্যকীয়-

১। খৰতকীয় ন্যায় - নিৰ্ধাৰিত সময় দণ্ডাধীশে সকলো আবেদন প্ৰথম শুনানিৰ পৰা ষাঠি দিনৰ ভিতৰত নিস্পত্তি কৰিব লাগে।

২। কেন্দ্ৰ আৰু ৰাজ্য সমূহৰ পৰ্যাপ্ত বাজেটৰ আবণ্টন।

৩। উপযুক্ত ব্যক্তিক সুৰক্ষা বিষয়া হিচাপে নিযুক্তি দিয়া।

৪। সুৰক্ষা বিষয়া আৰু দণ্ডাধীশ সকলৰ বাবে প্ৰশিক্ষণ আৰু সচেতনতা বৃদ্ধিৰ ব্যৱস্থা।

৫। আইনখনৰ নিয়মাৱলীৰ প্ৰ-পত্ৰ সমূহ ইতিমধ্যে সৰলীকৰণ কৰা হৈছে যাতে মহিলাগৰাকীৰ মতে সহজলভ্য হয়।

২৮। **প্ৰঃ এইখন আইনৰ সীমাবদ্ধতাসমূহ কি কি?**

উত্তৰ : আমি এইকথা বুজি পোৱা উচিত যে সুৰক্ষাৰ আদেশ বা স্থগিতাদেশ এক ৰক্ষা কবচ নহয়, ই হৈছে কাগজৰ এটা টুকুৰা মাত্ৰ। মহিলাসকলে

ইয়াৰ পৰা সুৰক্ষাৰ ভুল ধাৰণা পোষণ কৰা উচিত নহয়। তেওঁলোকে আইনখন ব্যৱহাৰ কৰি নিজকে নিজে সুৰক্ষা দিবলৈ শিকিব লাগে আৰু ইয়াৰ সীমাবদ্ধাতসমূহৰ পৰা সাৱধান হব লাগে। যদিও এক স্থগিতাদেশ বা সুৰক্ষাৰ আদেশৰ উলংঘনৰ আইনগত শাস্তি আৰু কাৰাদণ্ডৰ ব্যৱস্থা আছে আমি এই সত্যৰ পৰা সতৰ্ক হোৱা উচিত যে, এজন নিৰ্যাতনকাৰীয়ে আইনখন নিজৰ হাতত তুলি লবলৈ সমৰ্থ হব পাৰে। এনে ক্ষেত্ৰত মহিলা গৰাকীক সীমাবদ্ধতাসমূহৰ বিষয়ে ব্যাখ্যা কৰি সুৰক্ষা নিশ্চিত কৰাটো আটাইতকৈ গুৰুত্বপূৰ্ণ। আমি তেওঁলোকক বিপদৰ সম্ভাৱনীয়তাৰ বিষয়ে জনাবলৈ আৰু নিৰ্যাতনকাৰীজনৰ ওপৰত সাৱধানে চকু ৰাখিবলৈ কবলৈ বাধ্য। যদিহে নিৰ্যাতনকাৰীজনৰ পূৰ্বৰ ইতিহাস অতি হিংস্ৰ, গ্ৰেপ্তাৰৰ দীঘলীয়া ৰেকৰ্ড আছে বা ইতিমধ্যে তেওঁ কাৰাবাস খাটিছে, তেনেক্ষেত্ৰত সাধাৰণ স্থগিতাদেশ এটাই সহায় কৰিব নোৱাৰে। সেয়ে এনে ক্ষেত্ৰসমূহত সুৰক্ষা বিষয়া গৰাকী সতৰ্ক হোৱা উচিত। অনাচৰকাৰী স্বেচ্ছাসেৱী সংস্থা সমূহে অৱাঞ্চিত তিক্ততাপূৰ্ণ সম্পৰ্কৰ মাজত থকা মহিলাসকলৰ বাবে সুৰক্ষাৰ পৰিকল্পনা আৰু দৰকাৰী তালিকাৰ বিকাশ সাধন কৰা প্ৰয়োজন। তলত কেইটামান পৰামৰ্শ আগবঢ়োৱা হ'ল —

**সুৰক্ষাৰ পৰিকল্পনা**

**আপোনাৰ যদি এতিয়াও সম্পৰ্ক চিন্ন হোৱা নাই ঃ**

**বৰ্তি থকাৰ দৰকাৰী তালিকা ঃ**

* আপোনাৰ বা আপোনাৰ সন্তানৰ জীৱনৰ প্ৰতি ভাবুকিৰ সৃষ্টি হলে থাকিব পৰা সুৰক্ষিত স্থানৰ কথা ভাৱক - বাহিৰলৈ ওলাব পৰা পথ নথকা (গা ধোৱা ঘৰ) কোঠা বা অস্ত্ৰ শস্ত্ৰ থাকিব পৰা কোঠা (ৰান্ধনিঘৰ) ৰ পৰা আতৰি থাকিব।
* যোগাযোগ কৰিব পৰা সুৰক্ষিত ব্যক্তিৰ কথা ভাৱক আৰু তেনে

ব্যক্তিৰ এখন তালিকা প্ৰস্তুত কৰক, বন্ধু বান্ধৱ বা সম্পৰ্কীয় বিশ্বাসত লব পৰা লোকৰ মোবাইল নম্বৰ লগত ৰাখক। গুৰুত্বপূৰ্ণ সকলো নম্বৰ মনত ৰাখিবলৈ চেষ্টা কৰক। আপোনাৰ এলেকাত যদি কোনো "হেল্পলাইন" আছে তাৰ সহায় লওক। কেতিয়াবা অকল কথোপকথনেও বহুত সহায় কৰিব পাৰে।

* সকলো সময়তে নিজৰ লগত কিছু টকা পইছা ৰাখক।
* যিকোনো এটা 'সাংকেতিক শব্দ' বা চিহ্ন বাছি লওক যাতে পৰিয়াল, বন্ধু বান্ধৱ, শিক্ষক শিক্ষয়িত্ৰী বা সহকৰ্মীসকলে আপুনি সহায়ৰ বাবে আহ্বান জনালে বুজি পাব পাৰে।
* আপোনাৰ সংগীজন হিংস্ৰ হৈ পৰিলে কি কৰ লাগে সেই বিষয়ে জানি লওক। যেনে - ঘৰত নিৰ্যাতন বন্ধ কৰাৰ ক্ষেত্ৰত তেওঁৰ বিৰুদ্ধে সুৰক্ষাৰ আদেশ লাভ কৰাৰ এক উপায় আপোনাৰ আছে।
* তলাসমূহ সলনি কৰক।
* ওচৰ চুবুৰীয়াক স্থগিতাদেশ বা বেলেগ হোৱাৰ বিষয়ে জনাওক আৰু নিৰ্যাতনকাৰীজনক আপোনাৰ ঘৰৰ ওচৰত দেখা মাত্ৰেই আৰক্ষীক খবৰ দিবলৈ তেওঁলোকক কৈ থওক।
* আপোনাৰ সন্তানক চোৰা চিতা কৰা, তত্বাৱধানৰ দায়িত্ব লোৱাসকলক কৈ থওক আৰু ল'ৰা ছোৱালীক অন্য নিয়া কৰাৰ কৰ্তৃত্ব প্ৰাপ্ত সকলক তেওঁলোকে চিনি পায়নে নাপায় সেই কথা নিশ্চিত কৰক।
* আপোনাৰ সংগীজনৰ সৈতে একেলগে থাকোতে সঘনাই যোৱা বেংক, দোকান পোহাৰ আৰু অন্যান্য ঠাইসমূহ এৰাই চলক।
* কৰ্মক্ষেত্ৰত জনাওক আৰু আপোনাৰ ফোনকলসমূহ স্ক্ৰিণত ওলোৱাৰ ব্যৱস্থা কৰক।
* এটা ফোনকলেই হওক বা চিঠিয়েই হওক, ক্ষতিকাৰক যেন নালাগিলেও স্থগিতাদেশৰ যিকোনো অপপ্ৰয়োগৰ বিষয়ে

তৎক্ষণাত জনাওক।

**যদিহে আপোনাৰ বিচ্ছেদ হৈছে ঃ**

**প্ৰস্থান বা ত্যাগ কৰাৰ দৰকাৰী তালিকা ঃ**

* আপোনাৰ ফোন নম্বৰ সমূহ সলনি কৰক।
* ফোন ধৰাৰ আগতে নম্বৰসমূহ চাই লওক।
* সকলো যোগাযোগ, বাৰ্তা, আঘাত বা উৎপীড়নকাৰীজনৰ লগত জড়িত অন্যান্য ঘটনা সমূহ এম. এল. চি. সমূহ ডাক্তৰৰ ৰিপৰ্ট, এক্সৰে, আৰক্ষীৰ ওচৰত দাখিল কৰা অভিযোগ, দণ্ডাধীশৰ বিষয়ে তথ্য পাতি সংৰক্ষণ কৰি আৰু নথিভূক্ত কৰি বা টুকি ৰাখক।
* যদিহে উৎপীড়নকাৰীজনৰ হাতত চাবি থাকে তেন্তে তলাসমূহ সলনি কৰক।
* অকলে নাথাকিব।
* দুৰ্ব্যৱহাৰ কৰোতা সংগীএজনৰ মুখামুখি হবলগা হলে কেনেকৈ হাত সাৰিব পৰা যায় তাৰ পৰিকল্পনা কৰক।
* যদিহে আপুনি আপোনাৰ সংগীক লগ ধৰিব লগা হয়, তেনেহলে কোনো ৰাজহুৱা স্থানত লগ ধৰক।
* আপোনাৰ ৰুটিন সলনি কৰক।
* আপোনাৰ সন্তানৰ স্কুল আৰু আপোনাৰ কৰ্মক্ষেত্ৰ/কাৰ্য্যালয়ত এইবিষয়ে জনাওক।
* যদিহে কোনো সুৰক্ষিত আশ্ৰয়স্থলৰ প্ৰয়োজন হয়-মহিলাৰ কোনো আশ্ৰয়স্থান বা আশ্ৰয়গৃহলৈ ফোন কৰক।

যদিহে আপুনি নিৰ্যাতিত হোৱা ঘৰটো ত্যাগ কৰিছে বা ত্যাগ কৰিবলৈ মনস্থ কৰিছে তেনেহলে আপুনি আপোনাৰ লগত গুৰুত্বপূৰ্ণ দৰকাৰী কাগজ পত্ৰ আৰু নথি পত্ৰ সমূহ লৈ যোৱা উচিত। যাতে ক্ষতিপূৰণ বিচাৰি আবেদন কৰিবলৈ বা আইনী

ব্যৱস্থা লবলৈ সক্ষম হব পাৰে। আপোনাৰ লগত ৰাখিবলগীয়া দৰকাৰী কাগজ পত্ৰ সমূহ আৰু বস্তুবোৰৰ ভিতৰত আছে -

* ৰেচন কাৰ্ড
* সকলো স্ত্ৰীধন আ-অলংকাৰ
* আপোনাৰ আৰু আপোনাৰ সন্তানৰ জন্মৰ প্ৰমান পত্ৰৰ লগতে আন সকলো মূল্যবান প্ৰমান পত্ৰ।
* আপোনাৰ বিবাহৰ তথ্য ভিত্তিক প্ৰমান। (বিবাহৰ নিমন্ত্ৰিত পত্ৰ, ফটোসমূহ)
* আপোনাক অত্যাচাৰ কৰোঁতাজনৰ আয়ৰ প্ৰমান, তেওঁৰ জীৱন নিৰ্বাহ পদ্ধতিৰ প্ৰমান, তেওঁৰ মোবাইলৰ বিলসমূহ।
* তেওঁৰ নামত থকা, আপোনাৰ নামত থকা বা যুটীয়াভাৱে থকা লিজ, সা সম্পত্তি, কাৰ্য্যলয় বা কামসমূহৰ প্ৰতিলিপি।
* আপোনাৰ চেক বুক, পাচপৰ্ট, বেংকৰ কাগজ পত্ৰ সমূহ আৰু বীমা পলিচি সমূহ।
* আৰু আগৰ নিৰ্যাতন বা দুৰ্ব্যৱহাৰৰ যিকোনো তথ্য সংকলন (ফটো, আৰক্ষীৰ প্ৰতিবেদন, মেডিকেল ৰেকৰ্ড ইত্যাদি)
* আৱেগিক মূল্য জড়িত হৈ থকা ছবি আৰু অন্যান্য বস্তু সমূহ।

*<u>মনত ৰাখিব</u>ঃ*

নতুন পাৰিবাৰিক নিৰ্যাতন আইনৰ অধীনত আপোনাৰ বসবাসৰ অধিকাৰ আছে আৰু এই অধিকাৰৰ ভিতৰত নিৰ্ভয়ে নিৰ্যাতন মুক্তভাৱে বসবাস কৰাৰ অধিকাৰ অন্তৰ্ভূক্ত।

(উৎসঃ **'পাৰিবাৰিক নিৰ্যাতনৰ পৰা মহিলাৰ সুৰক্ষা আইন ২০০৫, আপোনাৰ অধিকাৰ সমূহ।' প্ৰকাশৰ বাবে অনুমতি দিয়া বাবে নৰ্থ ইষ্ট নেটৱৰ্কক কৃতজ্ঞতা জনোৱা হ'ল।**)

# আন্তঃৰাষ্ট্ৰীয় আৰু ৰাষ্ট্ৰীয় প্ৰেক্ষাপটত নাৰীৰ অধিকাৰ আৰু বে-চৰকাৰী সংস্থাৰ ভূমিকা

প্ৰাচীন কালৰে পৰা আজিলৈকে মানৱ অধিকাৰ হনন আৰু নিৰ্যাতনৰ বলি হৈ অহা লোকসকলৰ ভিতৰত বিশ্বৰ নাৰীসকল হৈছে অন্যতম। মানৱ সভ্যতাৰ প্ৰতিষ্ঠা আৰু ইয়াৰ অগ্ৰগতিত বিশেষ ভূমিকা পালন কৰি অহা নাৰীসকল বিভিন্ন শতিকা আৰু বিভিন্ন সভ্যতাত অধিকাৰ বিহীন এক বঞ্চিত আৰু নিৰ্যাতিত জীৱন কটাবলৈ বাধ্য হৈ আহিছে। পণ্ডিতসকলে স্বীকাৰ কৰে যে কৃষি কাৰ্য্য আৱিষ্কাৰ কৰি চিকাৰী অঘৰী জীৱনৰ অন্ত পেলাই মানৱ সভ্যতাৰ বিকাশৰ প্ৰথমটো খোজ নাৰীয়ে আগবঢ়াইছিল। পিছে মানৱ সভ্যতাৰ অগ্ৰগতিৰ লগে লগে নাৰীসকলৰ অধিকাৰ সংকুচিতহে কৰা হ'ল। নাৰী গৃহত বন্দী হৈ থকা গৃহিনীলৈকে অৱনমিত কৰা হ'ল। বিভিন্ন ধৰ্মীয় আৰু সামাজিক ৰীতি-নীতি, পৰম্পৰা সৃষ্টি কৰি নাৰীসকলৰ পৰা সকলোধৰণৰ সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক অধিকাৰ কাঢ়ি লোৱা হ'ল। মানৱ সভ্যতাৰ চৰম প্ৰগতি হোৱা স্বত্বেও সাম্প্ৰতিক সময়লৈকে এনে ৰীতি-নীতি, পৰম্পৰা সমূহ খুব বেছি শিথিল হোৱা নাই আৰু বিশ্বৰ প্ৰায়ভাগ ৰাষ্ট্ৰতে নাৰীয়ে মানৱ অধিকাৰ উপভোগৰ পৰা বঞ্চিত হ'ব লগা হৈছে। নাৰীৰ ওপৰত হত্যা ধৰ্ষণৰ দৰে জঘন্য নিৰ্যাতন, শিক্ষা গ্ৰহণ, ৰাজনৈতিক ব্যৱস্থাত সবলভাৱে অংশ গ্ৰহণ আৰু অৰ্থনৈতিক কাৰ্যকলাপত পুৰুষৰ সমানে অংশগ্ৰহণ ক্ষেত্ৰত বাধা আৰোপ কৰি চৰম বৈষম্যৰ সৃষ্টি কৰা হৈছে। সমাজৰ অৰ্দ্ধেক সংখ্যক লোকৰ ওপৰত চলোৱা মানৱ অধিকাৰ ভংগৰ এনে ঘটনা হৈছে মানৱ জাতিৰ বাবে চৰম দুৰ্ভাগ্য স্বৰূপ।

বিশ্বৰ নাৰী সমাজে আজিলৈকে যিখিনি অধিকাৰ লাভ কৰিছে সেয়া প্ৰকৃততে সংগ্ৰাম আৰু আত্মা বলিদানৰ ফল বুলি ক'ব লাগিব। এনে সংগ্ৰামৰ ফলতে ঊনবিংশ শতিকাৰ শেষ ভাগৰ পৰা আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰত নাৰীৰ অধিকাৰৰ ধাৰণা উদয় হৈছিল। ১৮৯৩ চনত প্ৰথমবাৰৰ বাবে নিউজিলেণ্ডৰ মহিলাসকলে ভোটদানৰ অধিকাৰৰ দৰে গুৰুত্বপূৰ্ণ ৰাজনৈতিক অধিকাৰ লাভ কৰিছিল। কুৰিশতিকাৰ আৰম্ভণিতে ১৯০২ চনত 'হেগ' চহৰত অনুষ্ঠিত হোৱা নাৰী সন্মিলন এখনে নাৰীৰ বিবাহ সম্পৰ্কীয় অধিকাৰ 'বিশেষকৈ বিবাহ বিচ্ছেদ আৰু নাবালক ল'ৰা ছোৱালীৰ ওপৰত নিজৰ কৰ্তৃত্ব সাব্যস্ত কৰাৰ অধিকাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। ১৯০৪ আৰু ১৯১০ চনত আন দুখন সন্মিলনে নাৰী আৰু শিশুক বিক্ৰী কৰাৰ দৰে ব্যৱস্থা নিষেধ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। প্ৰথম বিশ্বযুদ্ধৰ (১৯১৪-১৯১৯) সামৰণিৰ পিছত গঠন হোৱা জাতি সংঘই সামগ্ৰীক ভাৱে মানৱ অধিকাৰ ৰক্ষাৰ বাবে বিশেষ অধিকাৰ ৰক্ষা কৰাৰ বাবে আন্তৰ্জাতিক বনুৱা সংগঠনৰ সহযোগত কেইখনমান দলিল গ্ৰহণ কৰিছিল। এনে দলিল কেইখন আছিল মাতৃত্ব লাভৰ সময়ত সুৰক্ষাৰ (১৯১৯), নিশাৰ ভাগত নাৰীক কামত খটুওৱাৰ ক্ষেত্ৰত নিষেধাজ্ঞা (১৯৩৪) আৰু কয়লাখনিৰ দৰে কাৰ্যত মহিলাক ব্যৱহাৰ কৰাৰ ক্ষেত্ৰত নিষেধাজ্ঞা।

দ্বিতীয় বিশ্বযুদ্ধৰ আগলৈকে আৰু বিশেষভাৱে ৰাষ্ট্ৰ সংঘৰ জন্মৰ আগলৈকে বিশ্বত মানৱ অধিকাৰৰ ধাৰণাটোৰ সূচনা হোৱা নাছিল অথবা এই সম্পৰ্কে কোনো লোক সচেতন নাছিল। দ্বিতীয় বিশ্বযুদ্ধই মানৱতাৰ ওপৰত কৰা কুঠাৰাঘাটেহে মানুহক মানৱ অধিকাৰ সম্পৰ্কে ভাবিবলৈ বাধ্য কৰালে। দ্বিতীয় বিশ্বযুদ্ধৰ সমাপ্তিৰ লগে লগে ৰাষ্ট্ৰ সংঘৰ (১৯৪৫) জন্ম হয় আৰু ইয়াৰ চনদে মানুহৰ অধিকাৰ তথা মৌলিক স্বাধীনতা সমূহ ৰক্ষনাবেক্ষন দিয়া আৰু পুৰুষ মহিলাৰ অধিকাৰ সমানে সুৰক্ষিত কৰাৰ গুৰুত্বপূৰ্ণ লক্ষ্য নিৰ্দ্ধাৰণ কৰে। এই লক্ষ্য পুৰণৰ বাবে ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই ১৯৪৮ চনৰ ১০ ডিচেম্বৰ তাৰিখে 'মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণা' খন গ্ৰহণ কৰে। উক্ত ঘোষণাখন গ্ৰহণৰ লগে লগে বিশ্বত মানৱ অধিকাৰ আন্দোলনৰ সূচনা হয়। ৰাষ্ট্ৰ সংঘই ঘোষনাখন সাৰ্থক আৰু কাৰ্য্যকৰী ৰূপ দিবৰ বাবে ১৯৬৬ চনৰ ১৬ ডিচেম্বৰ তাৰিখে দুখন

আন্তৰ্জাতিক চুক্তি - 'পৌৰ আৰু ৰাজনৈতিক অধিকাৰৰ আন্তৰ্জাতিক চুক্তি' আৰু 'অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰৰ আন্তৰ্জাতিক চুক্তি' গ্ৰহণ কৰিছিল। ৰাষ্ট্ৰ সংঘই মানৱ অধিকাৰ ৰক্ষাৰ বাবে সময়ে সময়ে বিভিন্ন কমিটি গঠন আৰু বিশ্ব মানৱ অধিকাৰ ৰক্ষাৰ বাবে সময়ে সময়ে বিভিন্ন কমিটি গঠন আৰু বিশ্ব মানৱ অধিকাৰ সন্মিলন আদি আয়োজন কৰি আহিছে।

সমাজৰ অৱহেলিত আৰু অসুৰক্ষিত শ্ৰেণীসমূহৰ মানৱ অধিকাৰ ৰক্ষাৰ বাবে ৰাষ্ট্ৰ সংঘই চলোৱা প্ৰচেষ্টা গুৰুত্বপূৰ্ণ। বিশেষকৈ ৰাষ্ট্ৰ সংঘই ইতিমধ্যে 'নাৰীৰ ৰাজনৈতিক অধিকাৰৰ চুক্তি' (১৯৫২), 'বিবাহিতা নাৰীৰ জাতীয়তাৰ দলিল' (১৯৫৭), নিযুক্তি আৰু বৃত্তি গ্ৰহণৰ ক্ষেত্ৰত (১৯৬৭), আৰু 'নাৰীৰ বিৰুদ্ধে থকা সকলোধৰণৰ বৈষম্য দূৰিকৰণৰ সিদ্ধান্ত (১৯৭৯)' গ্ৰহণ কৰিছে। উক্ত দলিল সমূহৰ জৰিয়তে নাৰীৰ সকলোধৰণৰ ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক, সাংস্কৃতিক আদি অধিকাৰ সুৰক্ষিত কৰিবলৈ বিচাৰিছে। ৰাষ্ট্ৰসংঘই নাৰীৰ অধিকাৰৰ দলিল সমূহ গ্ৰহণ কৰাৰ উপৰিও ইয়াৰ কাৰ্য্যকৰী ৰূপ দিবৰ বাবে ১৯৭৫ চন বৰ্ষটোৰ 'আন্তৰ্জাতিক নাৰী বৰ্ষ' আৰু ১৯৭৫-১৯৮৫ ৰ দশকটোক নাৰী দশক সমতা, বিকাশ আৰু শান্তি' ৰূপে ঘোষণা কৰিছিল। ১৯৯৩ চনত ৰাষ্ট্ৰ সংঘৰ সাধাৰণ সভাই নাৰীৰ বিপক্ষে সংঘটিত হোৱা সকলো ধৰণৰ হিংসা নিৰাময়ৰ ঘোষনা গ্ৰহণ কৰে। আনহাতে একে বছৰতে ভিয়েনা চহৰত অনুষ্ঠিত হোৱা বিশ্ব মানৱ অধিকাৰ সন্মিলনেও নাৰীৰ অধিকাৰক মানৱ অধিকাৰ হিচাপে ঘোষণা কৰাৰ লগতে ৰাষ্ট্ৰ সংঘৰ মানৱ অধিকাৰ কাৰ্য্যসূচীত নাৰীৰ ওপৰত চলি থকা অত্যাচাৰৰ বিৰুদ্ধে অধিকাৰ সন্নিবিষ্ট কৰা আৰু ৰাষ্ট্ৰ সমূহত নাৰীৰ অধিকাৰ সন্দৰ্ভত বিশেষ প্ৰতিবেদক নিযুক্তিৰ সিদ্ধান্তও গ্ৰহণ কৰে। ১৯৯৯ চনৰ ৭ অক্টোবৰ তাৰিখে সাধাৰণ সভাই এটা ঐচ্ছিক প্ৰট'কল গ্ৰহণ কৰি লিংগ বৈষম্য, যৌন শোষন আৰু অন্যান্য অপব্যৱহাৰৰ বিপক্ষে কিছুমান ব্যৱস্থা, সন্নিবিষ্ট কৰিছিল। মুঠতে আন্তৰ্জাতিক পৰ্য্যায়ত ৰাষ্ট্ৰসংঘৰ উদ্যোগত নাৰীৰ অধিকাৰ ৰক্ষাৰ বাবে যথোপযুক্ত ব্যৱস্থা হাতত লোৱা হৈছে। অৱশ্যে এনে ব্যৱস্থা স্বত্বেও আজিও বিশ্বৰ বিভিন্ন ৰাষ্ট্ৰত নাৰীৰ অধিকাৰ সুৰক্ষিত বুলি ক'ব পৰা নেযাই।

বিশ্বৰ যিবিলাক দেশত নাৰী জঘন্য বৈষম্য, নিৰ্যাতন আৰু মানৱ অধিকাৰ

ভংগৰ চিকাৰ হৈ আহিছে সেই দেশ সমূহৰ ভিতৰত আমাৰ দেশ ভাৰতবৰ্ষ হৈছে অন্যতম। ভাৰতবৰ্ষ হৈছে এনে এখন আচৰিত দেশ য'ত এহাতে নাৰীক দেৱীৰ আসনত অধিষ্ঠিত কৰি পূজা অৰ্চনা কৰা হয় আৰু আনহাতে নাৰীৰ সকলো মান মৰ্যদা আৰু অধিকাৰ বিভিন্ন উপায়েৰে হৰণ কৰা হয়। আমাৰ দেশত নাৰীসকল অবিৰত শাৰীৰিক মানসিক নিৰ্যাতনৰ সন্মুখীন হ'ব লগা হয়। ধৰ্ষণ, যৌতুকজনিত অত্যাচাৰ আৰু হত্যা, নাৰী ভ্ৰূণ হত্যা, শিক্ষা গ্ৰহণৰ ক্ষেত্ৰত বাধা, বেশ্যাবৃত্তি অৱলম্বন, কৰিবলৈ বাধ্য কৰোৱা, অনুসূচিত জাতি আৰু জনজাতিৰ নাৰীৰ ওপৰত নিৰ্যাতন, গোষ্ঠীবদ্ধ ধৰ্ষণ, পৰিয়ালৰ ভিতৰত চলা নিৰ্যাতন আদি হৈছে আমাৰ দেশত নাৰীৰ অধিকাৰ ভংগৰ কিছুমান উদাহৰণ। ইয়াৰ লগত গুৰুতৰ ভাৱে জড়িত আছে ধৰ্মীয় আৰু সামাজিক ৰীতি নীতিয়ে সৃষ্টি কৰা বৈষম্য।

আমাৰ দেশত নাৰীৰ অধিকাৰ সুৰক্ষিত কৰাৰ বাবে সাংবিধানিক আৰু আইনগত যথোপযুক্ত ব্যৱস্থা নাই তেনে নহয়। নাৰীৰ অধিকাৰ ৰক্ষাৰ বাবে স্বাধীনতাৰ সময়ৰ পৰাই আজিলৈকে বিভিন্ন সাংবিধানিক আৰু আইনগত ব্যৱস্থা গ্ৰহণ কৰি অহা হৈছে। উক্ত লোকৰ জৰিয়তে এনে ব্যৱস্থা সমূহ সম্পৰ্কে বিতংভাৱে আলোচনা কৰা অৱকাল নাই যদিও অতি চমুকৈ সেই সম্পৰ্কে আলোচনা কৰিব বিচাৰিছোঁ। প্ৰথমতে যদি আমি সংবিধানৰ দিশৰ পৰা চাওঁ তেতিয়া দেখিম যে সংবিধানখনে নাৰী আৰু পুৰুষৰ সমান অধিকাৰৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। সংবিধানখনৰ বিভিন্ন অনুচ্ছেদৰ মাজেদি এই কথা স্পষ্ট ভাৱে প্ৰকাশ পাইছে। সংবিধানে নাৰীক পুৰুষৰ সমানে সুৰক্ষা দিবলৈ বিচাৰিছে। সংবিধানত উল্লেখ থকা এনে কেইটামান অনুচ্ছেদ হৈছে -

অনুচ্ছেদ ১৪ ঃ আইনে কোনো লোককে অসমান হিচাপে গণ্য কৰিব নোৱাৰিব। আইনৰ পৰা সকলোৰে সম সূৰক্ষা নিশ্চিত। লিংগৰ ভিত্তত কোনো বৈষম্য অনুমোদিত নহয়।

অনুচ্ছেদ ১৫ ঃ ধৰ্ম, বৰ্ণ, জাতি, লিংগ আৰু জন্মৰ স্থান ভিত্তিত কোনো লোকৰ ক্ষেত্ৰতে বৈষম্য কৰিব নোৱাৰিব।

অনুচ্ছেদ ১৬ (১), ১৬ (২) ঃ ধৰ্ম, বৰ্ণ, জাতি, লিংগ আদিৰ ভিত্তিত কোনো লোককে চৰকাৰী চাকৰি, নিযুক্তি আদিৰ ক্ষেত্ৰত বৈষম্য কৰিব নোৱাৰিব।

অনুচ্ছেদ ৩৯ (ক) ঃ ৰাষ্ট্ৰই এনে ধৰণে নীতি গ্ৰহণ কৰিব যাতে পুৰুষ মহিলা উভয়ে সন্মান সহ জীৱিকাৰ উপায় লাভ কৰিব পাৰে।

অনুচ্ছেদ ৩৯ (খ) ঃ পুৰুষ-নাৰী নিৰ্বিশেষে শ্ৰমিক সকলৰ স্বাস্থ্য আৰু শক্তিৰ তথা শিশু সকলৰ শৈশৱৰ যাতে অপব্যৱহাৰ কৰা নহয় আৰু নোৱাৰে যাতে অভাৱৰ ফলত নিজৰ শক্তিৰ বাহিৰত কৰ্মত প্ৰবৃত্ত নহয় তাৰ প্ৰতি ৰাষ্ট্ৰই ব্যৱস্থা গ্ৰহণ কৰিব।

অনুচ্ছেদ ৫১ (ক) (গ) ঃ দেশৰ নাগৰিক সকলৰ এটা কৰ্তব্য হৈছে নাৰীৰ সন্মান হানিকৰ কাৰ্য্যৰ প্ৰতি ঘৃণা প্ৰদৰ্শণ কৰা।

স্বাধীনতাৰ সময়ৰ পৰাই আমাৰ দেশত কিছুমান আইন গৃহীত কৰি নাৰীৰ ওপৰত চলি থকা নিৰ্যাতন বোধ কৰা আৰু নাৰীৰ অধিকাৰ ৰক্ষা কৰাৰ বাবে কিছুমান আইনগত ব্যৱস্থা লৈ অহা হৈছে। তেনে কেইটামান আইনগত ব্যৱস্থা চমুকৈ তলত দাঙি ধৰা হ'ল —

**ফেক্টৰী আইন ১৯৪৮** ঃ উক্ত আইনৰ জৰিয়তে কৰ্মস্থানত নাৰীক সুৰক্ষা দিবলৈ বিচৰা হৈছে। উক্ত আইনৰ মুল দিশ হৈছে কৰ্মৰ পৰিৱেশ উন্নত কৰা, ৩০ গৰাকীতকৈ অধিক মহিলা কৰ্মী থকা উদ্যোগ, কল-কাৰখানা আদিত সৰু ল'ৰা ছোৱালী ৰখাৰ বাবে শিশু গৃহৰ (Cheche) ব্যৱস্থা কৰা, কোনো মহিলাকে ৯ ঘণ্টাতকৈ অধিক সময়ত কৰ্মত প্ৰবৃত্ত কৰাৰ নোৱাৰা আৰু ৰাতিপুৱা ৬ মাহৰ পৰা সৰ্বাধিক ২ বছৰলৈ কাৰাদণ্ড আৰু ১০,০০০ টকালৈকে জৰিমণাৰ ব্যৱস্থা।

*ভাৰতীয় দণ্ডবিধিৰ ধাৰা ৩৭৫ (IPC Section 375)* ঃ উক্ত ধাৰাতে ধৰ্ষণৰ অভিযোগ প্ৰমাণিত হ'তে ধৰ্ষণকাৰীক ৭ বছৰৰ পৰা ১০ বছৰলৈ কাৰাদণ্ডৰ ব্যৱস্থা।

*ভাৰতীয় দণ্ডবিধিৰ ধাৰা ৫০৯ (IPC Section 509)* ঃ উক্ত ধাৰাতে কোনো মহিলাৰ প্ৰতি কটু বাক্যবান, শব্দ অথবা কোনা বস্তু প্ৰদৰ্শন কৰি মহিলাগৰাকীৰ ব্যক্তিগত গোপনীয়তাত হস্তক্ষেপ কৰিলে ই শাস্তিযোগ্য অপৰাধ হিচাপে গণ্য হয়।

Indecent Representation of women (Prohibition) Act 1986 ঃ উক্ত আইনৰ জৰিয়তে নাৰীক বিজ্ঞাপন, প্ৰকাশন, লিখনি, চিত্ৰকল্প

আদিৰ জৰিয়তে সন্মান হানিকৰ ভাৱে প্ৰদৰ্শন কৰিলে শাস্তিৰ ব্যৱস্থা কৰিব পৰা যায়।

<u>হিন্দু উত্তৰাধিকাৰ আইন ১৯৫৬</u>ঃ উক্ত আইনমতে পৰিয়ালৰ ছোৱালীয়ে উত্তৰধিকাৰ সূত্ৰে দেউতাকৰ আৰু বিধবা মহিলাই স্বামীৰ সম্পত্তিৰ অধিকাৰ লাভ কৰাৰ অধিকাৰ দিয়া হৈছে।

<u>৭৩ তম সংবিধান সংশোধনী বিধেয়ক ১৯৯২</u> ঃ উক্ত সংবিধান সংশোধনে পঞ্চায়তী ৰাজ অনুষ্ঠান সমূহৰ সদস্য আৰু অধ্যক্ষৰ (সভাপতি) আসনৰ ৩৩% মহিলাৰ বাবে সংৰক্ষণৰ ব্যৱস্থা কৰিছে।

ঘৰুৱা হিংসা প্ৰতিৰোধ আইন ২০০5 ঃ পৰিয়ালৰ ভিতৰত হিংসা আৰু নিৰ্যাতনৰ বলি হোৱা মহিলাসকলৰ ৰক্ষাৰ ব্যৱস্থা উক্ত আইনত সন্নিবিষ্ট কৰা হৈছে।

ওপৰত উল্লেখ কৰা আইনগত ব্যৱস্থাসমূহ হৈছে আমাৰ দেশত নাৰীৰ অধিকাৰ ৰক্ষণাবেক্ষণৰ বাবে লোৱা আইনগত ব্যৱস্থাৰ কেইটামান উদাহৰণহে মাথোন। ইয়াৰ উপৰি আন বহুতো আইনগত ব্যৱস্থা আছে।

ইমানবিলাক সাংবিধানিক আৰু আইনগত ব্যৱস্থা থকা স্বত্বেও ভাৰতীয় নাৰীসকল শোষণ, নিৰ্যাতন আৰু বৈষম্যৰ চিকাৰ হৈ আহিছে। ইয়াৰ বাবে নাৰী সকল শিক্ষাহীনতা, অজ্ঞতা, সচেতনতাৰ অভাৱ, আইন বলবৎকাৰী সকলৰ সদিচ্ছাৰ অভাৱ আৰু সৰ্বোপৰি পুৰুষ তান্ত্ৰিক সমাজত যুগে যুগে সৃষ্টি কৰি অহা ধৰ্মীয় আৰু সামাজিক ৰীতি নীতি সমূহকে জগৰীয়া কৰিব পাৰি। এনে পৰিপ্ৰেক্ষিতত বে-চৰকাৰী সংস্থা সমূহে যিহেতু সমাজ পৰিৱৰ্ত্তনক মূল লক্ষ্য হিচাপে গ্ৰহণ কৰে গতিকে তেওঁলোকে ভাৰতীয় নাৰী সকলক শোষন নিৰ্যাতন আৰু বৈষম্যৰ পৰা চমুকৈ মানৱ অধিকাৰ হৰণৰ পৰা ৰক্ষা কৰিবলৈ আগবাঢ়ি আহিব লাগিব। এইক্ষেত্ৰত এনে সংস্থা সমূহে পালন কৰিব পৰা ভূমিকা হৈছে -

১ নাৰীৰ শিক্ষা বাবে প্ৰচেষ্টা চলোৱা।

১ নাৰীসকলৰ মানসিকতাৰ পৰিৱৰ্তন সাধন কৰি নিজৰ অধিকাৰ সম্পৰ্কে সচেতন কৰি তোলা।

১ নাৰী অধিকাৰ ৰক্ষাৰ বাবে থকা আন্তঃ ৰাষ্ট্ৰীয় আৰু ৰাষ্ট্ৰীয় বিধি

ব্যৱস্থা সমূহ প্ৰচাৰৰ দিহা কৰা।

১ নাৰীক শোষণ নিৰ্যাতনৰ পৰা ৰক্ষা কৰাৰ বাবে থকা দেশৰ আইনসমূহৰ সম্পৰ্কে নাৰী সকলক জ্ঞান দিয়া।

১ নিৰ্যাতৰ বলি হোৱা নাৰী সকলক আইনগত সাহাৰ্য প্ৰদানৰ বাবে আগবাঢ়ি অহা।

১ নাৰী সকলক স্ব-ৰোজগাৰৰ কাৰ্যসূচীৰ সৈতে জড়িত কৰি লোৱা ইত্যাদি।

নাৰীৰ অধিকাৰ ৰক্ষা আৰু নাৰীক সকলো ধৰণৰ শোষণ, নিৰ্যাতন আৰু বৈষম্যৰ পৰা মুক্তি দিয়াটো সময়ৰ দাবী। এই দাবী পূৰণ কৰিব নোৱাৰিলে আমি এখন সভ্য আৰু উন্নত সমাজৰ অংশীদাৰ বুলি কেতিয়াও দাবী কৰিব নোৱাৰিম। গতিকে আমি সকলোৱে নাৰী অধিকাৰ সুৰক্ষাৰ অংশীদাৰ হ'ব লাগিব।

*(লেখক - **এই প্ৰৱন্ধটোৰ লিখক ধনেশ্বৰ বৈশ্য,** বৰভাগ মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ প্ৰৱক্তা)*

# স্ব-নিৰ্ভৰশীল মহিলাৰ সমস্যা, চৰকাৰৰ সুবিধা আৰু আমাৰ কৰ্তব্য

'নাৰীৰ সবলীকৰণ' সাম্প্ৰতিক সময়ত এটা প্ৰয়োজনীয় বিষয় হিচাপে আলোচিত হৈছে। গোটেই বিশ্বজুৰী মহিলাৰ সম অধিকাৰৰ বাবে হোৱা বিভিন্ন আন্দোলন তথা তৃতীয় বিশ্বৰ দেশ সমূহৰ মহিলা সকলে সন্মুখীন হোৱা বিভিন্ন সমস্যা, নাৰী নিৰ্যাতন আদিৰ বাবে নাৰীৰ সবলীকৰণৰ বিষয়টোৱে যথেষ্ট গুৰুত্ব লাভ কৰিছে। 'Women Empowerment' অৰ্থাৎ মহিলাৰ সবলীকৰণৰ অৰ্থ হ'ল মহিলা সকলক সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক, মনঃস্বাত্বিক, দীৰ্ঘময় আৰু আধ্যাত্মিক - এই আটাইকেইটা দিশত আইনগত আৰু নীতিগত ক্ষমতা প্ৰদান কৰা, যিয়ে মহিলা সকলক আত্মনিৰ্ভৰশীল হৈ আগবাঢ়ি যোৱাত সহায় কৰিব পাৰে। আমাৰ দেশৰ মুঠ জনসংখ্যাৰ প্ৰায় অৰ্ধেকেই মহিলা। গতিকে সমাজ তথা দেশৰ উন্নতিত মহিলা সকলে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। বৰ্ত্তমান সময়ত মহিলা সকলে নিজকে ঘৰৰ চাৰিবেৰৰ মাজত আবদ্ধ নাথাকি আন আন কৰ্মক্ষেত্ৰতো আত্মনিয়োগ কৰিছে। অতীতৰে পৰা মহিলা সকলে ঘৰুৱা কাম কাজৰ উপৰিও কৃষি কৰ্ম, বোৱা কটা আদি কাৰ্য্যত পাৰ্গতালি দেখুৱাবলৈ সক্ষম হৈ আহিছে। বৰ্তমান সময়তো বিশেষকৈ গাওঁ অঞ্চলৰ মহিলা সকল লগ গৈ আত্ম সহায়ক গোট, সমবায়ভিত্তিত কৃষি কৰ্ম তথা বোৱা কটা, ক্ষুদ্ৰ তথা কুটিৰ উদ্যোগ স্থাপনৰ জৰিয়তে নিজকে অৰ্থনৈতিক ভাৱে স্বাৱলম্বী কৰিবলৈ সক্ষম হৈছে। তেনেদৰে তথা ক্ষুদ্ৰ ক্ষুদ্ৰ উদ্যোগ স্থাপন কৰি নিজৰ লগতে আন দহজনকো সংস্থাপন দিব পাৰিছে। কিন্তু আটাইতকৈ ডাঙৰ কথাটো হ'ল এই সকল আত্ম নিৰ্ভৰশীল মহিলাই বিভিন্ন ক্ষেত্ৰত যথেষ্ট সমস্যাৰ সন্মুখীন হৈ আহিছে। অকল এই মহিলাসকলেই নহয়, চাকৰীজীৱী মহিলা সকলেও নিজ নিজ কৰ্মক্ষেত্ৰত বিভিন্ন সময়ত বিপদৰ সন্মুখীন হ'ব লগা হয়। তদুপৰি পুৰুষ এজনে যেনেদৰে

ঘৰুৱা কাম কাজৰ পৰা সম্পূৰ্ণ মুক্ত হৈ কৰ্মক্ষেত্ৰত নিজকে নিয়োগ কৰিব পাৰে, মহিলা সকলে কিন্তু নোৱাৰে। তেওঁলোকে প্ৰথমতে ঘৰুৱা কাম বনক অগ্ৰাধিকাৰ দিহে নিজৰ কৰ্মক্ষেত্ৰত নিজকে নিয়োগ কৰিবলগীয়া হয়। কাচিৎহে দুই এটা ব্যতিক্ৰম দেখিবলৈ পোৱা যায়। আমাৰ ঘৰখনেও কিন্তু চাকৰি বা ব্যৱসায় কৰা বুলিয়েই মহিলা এজনীক ঘৰুৱা কাম কাজৰ পৰা মুক্ত কৰি নিদিয়ে। ঘৰুৱা সমস্যাৰ লগতে ব্যৱসায় বা ক্ষুদ্ৰ উদ্যোগ, স্থাপন কৰা মহিলা সকলে অৰ্থনৈতিক সমস্যা, সামাজিক, যোগাযোগৰ সমস্যা, কাৰিকৰী সমস্যা, কাৰ্য্যনিৰ্বাহৰ (Managerial Problem) সমস্যা, প্ৰতিযোগিতাৰ সমস্যা আদি এশ এবুৰি সমস্যাৰে জৰ্জৰিত হৈ আগবাঢ়িব লগীয়া হৈছে। সৰহ ভাগ মহিলাই বিশেষকৈ অশিক্ষিত মহিলা সকলে চৰকাৰ, বেংক বা আন বেচৰকাৰী সংস্থাই দিয়া অৰ্থনৈতিক তথা আন সুবিধা সততে অভিযোগ কৰা দেখা যায় যে চৰকাৰী কাৰ্য্যালয়, বেংক বা আন প্ৰতিষ্ঠানলৈ গ'লে তেওঁলোকক গুৰুত্ব দিয়া নহয়। বেংকত ঋণ বিচাৰি গলেওঁ ঋণ পাবলৈ সক্ষম নহয়। কাৰণ উপৰুৱা জামিন (Collateral Security) দিবলৈ তেওঁলোকৰ কোনো মাটিবাৰী বা সা সম্পত্তি নাথাকে। আকৌ কিছুমান ক্ষেত্ৰত দেখা যায় যে মহিলা সকলৰ নিজৰ আৰ্জিত ধনৰ ওপৰতো অধিকাৰ নাথাকে, নিজৰ ইচ্ছামতে খৰচ কৰিব নোৱাৰে। গতিকে মহিলা সকল প্ৰায় সকলো ক্ষেত্ৰতে শোষণৰ বলি হৈ আহিছে। এই সমস্যা সমূহৰ পৰা মুক্ত কৰিবলৈ চৰকাৰে বিভিন্ন কাৰ্য্য ব্যৱস্থা হাতত লৈছে।

*<u>মহিলাৰ উন্নয়নৰ বাবে চৰকাৰে লোৱা পদক্ষেপ</u>*ঃ

ৰাষ্ট্ৰীয় আৰু আন্তৰাষ্ট্ৰীয় প্ৰেক্ষাপটত মহিলাৰ উন্নয়নৰ বিষয়টোৱে প্ৰাধান্য লাভ কৰিছে। মহিলাৰ স্বত্ব আৰু অধিকাৰ সুৰক্ষিত কৰাৰ লগতে পুৰুষৰ লগত যাতে সমানে আগবাঢ়ি যাব পাৰে তাৰ বাবে ইতিমধ্যে চৰকাৰে বিভিন্ন কাৰ্য্যব্যৱস্থা হাতত লৈছে।

*<u>আইনগত ব্যৱস্থাসমূহ</u>*ঃ

- হিন্দু উত্তৰাধিকাৰী আইন ১৯৫০ (Hindu Succession Act 1950)
- হিন্দু উত্তৰাধিকাৰী আইন ১৯৫৫ (Hindu Succession Act 1955)
- সম হাৰত বেতন আইন ১৯৭৬ (Equal Remuneration Act 1976)

- বাল্য বিবাহ আইন ১৯৭০ (Child Marriage Act 1970)
- কাৰখানা (সংশোধন) আইন ১৯৭০ (Factory Amendment Act 1970)
- প্রসূতিৰ বাবে সুবিধাৰ আইন ১৯৭৬ (Maternity Benifit Act 1976)
- যৌতুক প্রথা নিৰাৰন আইন ১৯৯৬ (Dowry Prohibition Act 1996)
- অনৈতিক কাৰ্য্যকলাপ ৰোধ আইন ১৯৫৬, ১৯৭৮, ১৯৮৬ (Supperession of immoral trafficking Act 1956, 1978, 1988)

<u>মানৱ বিকাশৰ বাবে লোৱা ব্যৱস্থাসমূহ</u> ঃ

- ছাত্রীৰ বাবে উচ্চতৰ মাধ্যমিক পৰ্য্যালয়লৈ বিনামূলীয়া শিক্ষাৰ ব্যৱস্থা।
- কাৰিকৰী/ ব্যৱহাৰিক শিক্ষাৰ ক্ষেত্ৰত মহিলাৰ বাবে আসন সংৰক্ষণৰ ব্যৱস্থা।
- গৰ্ভাৱস্থা, সন্তান প্ৰসৱ আৰু প্ৰসৱৰ পিছৰ সময়ছোৱাৰ বাবে বিশেষ যত্নৰ ব্যৱস্থা।

<u>মহিলা আত্মনিৰ্ভৰশীলতাৰ বাবে লোৱা ব্যৱস্থাসমূহ</u> ঃ

- মহিলা সকলক লাভজনক কামত নিয়োগৰ সুবিধা প্ৰদান কৰা।
- পৈত্রিক সম্পত্তিৰ ওপৰত পুত্র কন্যাৰ সম অধিকাৰ।
- একে কামৰ বাবে একে পৰিমাণৰ মজুৰি ।
- উন্নয়ণমূলক আঁচনি সমূহত মহিলা সকলৰ বাবে বিশেষ আৱন্টনৰ ব্যৱস্থা।
- সম্পত্তিৰ অধিকাৰ প্ৰদান।
- মহিলাসকলৰ নিপুনতা বৃদ্ধিৰ ব্যৱস্থা।

<u>ৰাজনৈতিক ভাৱে সৱলীকৰণৰ বাবে লোৱা বিভিন্ন ৰাজনৈতিক ব্যৱস্থা</u> ঃ

- সংবিধান সংশোধনৰ জৰিয়তে ৰাষ্ট্ৰীয়, ৰাজ্যিক, স্থানীয় চৰকাৰ আৰু পঞ্চায়তীৰাজ প্ৰতিষ্ঠানত মহিলাৰ বাবে আসন সংৰক্ষণৰ ব্যৱস্থা।
- Bureaucracy level ত মহিলা প্ৰতিনিধিৰ সংখ্যা বৃদ্ধি কৰা।
- মুখ্যমন্ত্ৰী, প্ৰধানমন্ত্ৰী বা অন্যান্য উচ্চপদবীত মহিলা সকলক নিযুক্তিৰ

ক্ষেত্রত অগ্ৰাধিকাৰ দিয়া।

গতিকে দেখা গৈছে যে মহিলা সবলীকৰণৰ বাবে চৰকাৰে যথেষ্ট ব্যৱস্থা গ্ৰহণ কৰিছে। এই ব্যৱস্থা সমূহ তেতিয়াহে কাৰ্য্যকৰী হ'ব, যেতিয়া মহিলা সকলৰ মাজত সচেতনতা বৃদ্ধি হ'ব। ইতিমধ্যেই উল্লেখ কৰি অহা হৈছে যে মহিলা সকল নিজেই নিজৰ প্ৰাপ্য অধিকাৰৰ বিষয়ে জ্ঞাত নহয়। সেয়েহে আমাৰ প্ৰধান কৰ্তব্য হৈছে মহিলাসকলৰ মাজত আত্ম সচেতনতা বৃদ্ধি কৰি তেওঁলোকৰ প্ৰাপ্য অধিকাৰৰ বিষয়ে জ্ঞান দিয়া। এই ক্ষেত্ৰত চৰকাৰ তথা অন্যান্য বেচৰকাৰী সংস্থা সমূহে বিশেষ ভূমিকা পালন কৰিব পাৰে। নহলে মহিলা সকলৰ ওপৰত কৰা শোষন, নিৰ্যাতনৰ কেতিয়াও অন্ত নপৰিব।

*(এই প্ৰবন্ধটোৰ লিখক ঃ শ্ৰীসুশান্ত কুমাৰ কাশ্যপ,*
*বৰভাগ মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ প্ৰৱক্তা)*

# শেষ পৃষ্ঠাৰ কথা

সাম্প্ৰতিক সময়ত বহুলভাৱে প্ৰচলিত আৰু চৰ্চিত বিষয়বস্তুবোৰৰ ভিতৰত নাৰী স্বাধীনতা অন্যতম। অলপতে সংসদত মহিলাৰ বাবে ৩৩% আসন সংৰক্ষণৰ যুজত জয়ী হোৱাৰ পিছতে যেন দেশৰ সকলো মহিলাই ককালত পুনৰ টঙালি বান্ধি ওলাই আহিছে। সংৰক্ষণৰ আইনখন সদনত গৃহীত হোৱাৰ পৰৱৰ্ত্তী সময়ত অনুষ্ঠিত হোৱা বিভিন্ন নিৰ্বাচন সমূহত মহিলা প্ৰাৰ্থী সমূহৰ আগ্ৰহ তথা নিৰ্বাচনৰ বিভিন্ন পৰ্য্যায়ত মহিলাসকলৰ অংশগ্ৰহণত যেন জোৱাৰ উঠিছে। এই সংৰক্ষণ আইনখনৰ লগত জড়িত বিষয়, যিখন আমাৰ পুৰুষপ্ৰধান সমাজখনে অতদিনে বিভিন্ন পৰ্যায়ত নাৰীসকলক কৰি অহা নিৰ্যাতনৰ পৰাযেন পুৰুষ সমাজক কিছু থমকি ৰ'বলৈ বাধ্য কৰাইছে।

সঁচাকৈয়ে মানৱ সমাজে দোপত দোপে সভ্যতাৰ জখলাৰে যিমানেই আগুৱাই গৈ আছে সিমানেই যেন নাৰী আৰু পুৰুষৰ মাজত স্পষ্ট বিভাজন দেখা গৈছে। যৌতুক, বিবাহ বিচ্ছেদ, বিভিন্ন শাৰীৰিক তথা মানসিক শাস্তি, যৌন নিৰ্যাতন, বিবাহ বিচ্ছেদ, নাৰীৰ ভ্ৰূণ হত্যা আদি যেন ক্ষিপ্ৰগতিৰে বৃদ্ধি পাই আহিছে, এইবোৰ জানো সভ্যতাৰ চিন ? এইবোৰেই জানো মানৱতা ? আমি জানো এইদৰেই চিনাকি দি আছো জীৱশ্ৰেষ্ঠ মানৱ হিচাপে।

সঁচাকৈয়ে আমি ভাবিবৰ হ'ল এক নতুন চিন্তাৰে, এক নতুন দিশেৰে য'ত নাথাকিব পুৰুষ নাৰীৰ মাজৰ এই লিঙ্গ বৈষম্য, নাৰী নিৰ্যাতন ভ্ৰূণ হত্যা আদিৰ দৰে ঘটনাবোৰ। আমাৰ সমাজত যিদৰে অতীতত প্ৰতিটো ক্ষেত্ৰতে নাৰী সমাজে আগস্থান পাই আহিছিল। ঠিক তেনেকৈ আজিও যেন আমি পুনৰ উভতি যাওঁ সেই স্থানলৈ। আমাৰ দেশতে জানো নাৰী মূৰ্ত্তী দুৰ্গা, সৰস্বতী আদিক পূজা কৰা নহয় ? এই দেশতে জানো চুলতান ৰেজিয়া, ৰাণী লক্ষ্মীবাঈ আদিয়ে বুৰঞ্জীত স্থান লোৱা নাই ? এই দেশতে জানো মূলা গাভৰু, কনকলতা আদিৰ দৰে নাৰীয়ে জন্ম গ্ৰহণ কৰা নাই ? ইন্দিৰা গান্ধীয়ে জানো দেশ শাসন কৰা নাই ? সাম্প্ৰতিক সময়তো বিভিন্ন দেশৰ বিভিন্ন ক্ষেত্ৰত চাওঁক, ৰাজনীতিৰ ক্ষেত্ৰত ৰাষ্ট্ৰপতি প্ৰতিভা পাটিল, কংগ্ৰেছৰ ছোনীয়া গান্ধী, বিজেপিৰ সুচমা স্বৰাজ, ক্ৰীয়া ক্ষেত্ৰত ছানীয়া মিৰ্জা, চাইনা নেইৱাল, সংগীতত লতামংগেশকাৰ ইত্যাদিয়ে জানো দেশৰ নাম জিলিকাই ৰখা নাই ? এইসকল জানো নাৰী নহয় ? এওঁলোকৰ জানো সন্মান অধিকাৰ নাই ? তেন্তে প্ৰতিটো ক্ষেত্ৰত কিয় এই বৈষম্য ? আৰু ই কিমান দিনলৈ ? .....

আহক সজাগ হওঁ, নিজেও জাগো, আনকো জগাওঁ।

**প্ৰদীপ মহন্ত**

কাৰ্য্যসূচী প্ৰবন্ধক, গ্ৰাম্য বিকাশ মঞ্চ

# গ্ৰাম্য বিকাশ মঞ্চ

প্ৰতিখন গাৱঁতে এখন শান্তিপূৰ্ণ, সমৃদ্ধিশালী, সমতাপূৰ্ণ আৰু শোষণমুক্ত সমাজ গঢ়া'ৰ লক্ষৰে ১৯৯৯ চনত জন্ম হোৱা 'গ্ৰাম্য বিকাশ মঞ্চ' এটি বেচৰকাৰী স্বেচ্ছাসেৱী সংস্থা। জন্ম লগ্নৰে পৰা গ্ৰাম্য বিকাশ মঞ্চ'ই সমাজৰ বঞ্চিতসকল বিশেষকৈ মহিলা সকলক আৰ্থসামাজিক সবলীকৰণৰ জৰিয়তে সমাজ পৰিবৰ্তনৰ দায়িত্ব লব পৰাকৈ উপযুক্ত কৰা আৰু তাৰ জৰিয়তে এনে এখন সমাজ সৃষ্টি কৰা য'ত তেওঁলোক মৰ্য্যদা সহ জীয়াই থাকিব পাৰে, তেনে উদ্দেশ্যৰে সেৱা আগবঢ়াই আছে। অনুষ্ঠানটোত প্ৰায় পাচ শতাধিক স্বেচ্ছাসেৱিকা স্বেচ্ছাসেৱকে বিভিন্ন উন্নয়নমুলক কাৰ্য্যত প্ৰত্যক্ষভাবে জড়িত হৈ আছে। নলবাৰী, বাগসা, বৰপেটা আৰু কামৰূপ (গ্ৰামীন) জিলাৰ বিভিন্ন প্ৰান্তত অনুষ্ঠানটোৱে সেৱা আগবঢ়াই আছে। গ্ৰাম্য বিকাশ মঞ্চৰ মুখ্য কাৰ্য্যালয় ১ নং বৰধনৰা, পোঃ অঃ দক্ষিণগাঁও, পিন- ৭৮১৩৫০, জিলা- নলবাৰী (অসম) ত অৱস্থিত। Email : gvm_ngo@sify.com


বিশেষ পৰামৰ্শদাতা ঃ

পৃথ্বিভূষণ ডেকা, সভাপতি, গ্ৰাম্য বিকাশ মঞ্চ।

সম্পাদনা উপদেষ্টা ঃ

ধনেশ্বৰ বৈশ্য, প্ৰৱক্তা, ৰাজনীতি বিজ্ঞান বিভাগ,
সুশান্ত কুমাৰ কাশ্যপ, প্ৰৱক্তা, অৰ্থনীতি বিভাগ,
বৰভাগ কলেজ, কালাগ, নলবাৰী।

সম্পাদনা ঃ

প্ৰদীপ মহন্ত, কাৰ্যসূচী প্ৰৱন্ধক, গ্ৰাম্য বিকাশ মঞ্চ, নলবাৰী (অসম)।

সহযোগী ঃ

গীতিকা কলিতা, শেৱালী ডেকা, মঃ মজাম্মিল হুছেইন, কৌশিক চৰকাৰ,
চন্দন মল্ল বৰুৱা, অৰূপ শৰ্মা, সীমা তালুকদাৰ।

বিশেষ কৃতজ্ঞতা ঃ

কমলেশ্বৰ ভূএগ, দিবাকৰ ডেকা, প্ৰাঞ্জল চক্ৰৱৰ্ত্তী, জীৱন কলিতা,
অৰূপজ্যোতি দাস, সুভাষ দাস লগতে সমূহ স্বেচ্ছাসেৱক / স্বেচ্ছাসেৱীকা।

গ্ৰাম্য বিকাশ মঞ্চ।


**আহক, মহিলা সবলীকৰণৰ যাত্ৰাত একেলগে আগবাঢ়োঁ।**


গ্ৰাম্য বিকাশ মঞ্চৰ 'ডেভলপ্‌মেণ্ট কমিউনিকেচন চেল'ৰ দ্বাৰা 'এক্‌চন এইড ইণ্টাৰনেচল ইণ্ডিয়াৰ 'ৰ সহযোগত প্ৰকাশিত।



কেৱল ব্যক্তিগত সীমিত বিতৰণৰ বাবে।